
# প্ৰদীপ্তি

দুলীয়াজান মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছমহীয়া ছপা আলোচনী

প্ৰথম বছৰ ।। প্ৰথম সংখ্যা ।। এপ্ৰিল, ২০২৩ ।। মূল্য ঃ ২০ টকা মাত্ৰ

## ক'বলগীয়া কথাবোৰ...

*"মাতৃ-ভাষা, মাতৃ-ভূমিৰ সেৱাই আমাৰ দেশৰ সেৱা।*
*আমাৰ জাতীয় জীৱনৰ আনন্দ পতাকা। "*

বিশ্বৰ শান্তিকামী সংস্থা অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা চমুকৈ UNESCO-ৰ প্ৰতিবেদনৰ মতে গোটেই পৃথিৱীতে বৰ্তমান প্ৰচলিত প্ৰায় ৬,০০০ কথিত ভাষাৰ ভিতৰত আধাখিনিয়েই এই শতিকাৰ শেষলৈ বিলুপ্ত হ'বগৈ। এই প্ৰতিবেদনত আমাৰ ৰাজ্যৰ বড়ো, ডিমাছা, কাৰ্বি, ৰাভা আদি ভাষাবিলাকো অন্তৰ্ভুক্ত হৈছে। UNESCO-ৰ এই প্ৰতিবেদনত যদিও অসমীয়া ভাষাটোৰ কথা উল্লেখ হোৱা নাই তথাপি অসমীয়া ভাষাৰ সাম্প্ৰতিক স্থিতিৰ বিষয়ে আলোচনা কৰিলে ইয়াৰ দুৰ্দশাগ্ৰস্ত অৱস্থাটো আমাৰ পৰিলক্ষিত হয়।

পৃথিৱীত প্ৰচলিত অলেখ ভাষাৰ ভিতৰত অসমীয়া ভাষাটোও যে এটা মৰ্যাদাশালী ভাষা তাক নুই কৰিব নোৱাৰি। শংকৰদেৱ, মাধৱদেৱৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা আৰু একেবাৰে শেহতীয়াকৈ নীলমণি ফুকনলৈকে বহুতো স্বনামধন্য সাহিত্যিকে তেওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তে ভাষাটোক গৰিমামণ্ডিত কৰি থৈ গৈছে।

কিন্তু বৰ্তমানৰ প্ৰেক্ষাপটত আমি দেখিবলৈ পাইছো, অসমীয়া মানুহখিনিৰ পশ্চিমীয়া সংস্কৃতি আৰু ইংৰাজী প্ৰীতিয়ে ভাষাটোক মৃত্যু মুখলৈ ঠেলি দিছে। গতিকে ২০৫০ চনলৈকে অসমীয়া ভাষাটো জীয়াই থাকিব নে নাই তাক লৈও বহু প্ৰশ্ন উত্থাপন হৈছে। এই চিন্তাত সাৰ-পানী যোগাইছে চৰকাৰৰ ইংৰাজী প্ৰীতি আঁচনি তথা ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠাৰ দৰে আত্মঘাতী সিদ্ধান্তসমূহে।

যি কি নহওক, ভাষাৰ এই মৃত্যুমুখী যাত্ৰাৰ সময়তো ঐতিহ্যমণ্ডিত ডিব্ৰুগড় জিলাৰ জকাইচুকীয়া মহাবিদ্যালয়খ্যাত তৈলনগৰী দুলীয়াজানৰ দুলীয়াজান মহাবিদ্যালয়ৰ **অসমীয়া বিভাগৰ** ছাত্ৰ-ছাত্ৰীসকলে অলেখ প্ৰত্যাহ্বানৰ মাজতো ছপা আকাৰত এখনি পত্ৰিকা প্ৰকাশ কৰি উলিওৱাৰ প্ৰয়াস কৰিছে। এই পত্ৰিকাখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষা-সাহিত্যৰ বৌদ্ধিক উত্তৰণৰ গতিক তৰান্বিত কৰাৰ সপোন দেখিছে।

শেষত, সম্পাদক হিচাপে আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা প্ৰদান কৰি মনে ভবাকৈ ছপা কৰি উলিওৱাত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা আলোচনীখনৰ তত্ত্বাৱধায়ক তথা বিভাগৰ মুৰব্বী আৰু আমাৰ শিক্ষাগুৰু ড° চিত্ৰজিৎ শইকীয়াদেৱকে প্ৰমুখ্য কৰি আলোচনীখনৰ উপদেষ্টামণ্ডলী আৰু আলোচনীখনৰ লগত জড়িত সকলো সদস্য-সদস্যালৈ কৃতজ্ঞতা জ্ঞাপন কৰি আলোচনীখনৰ প্ৰথম সংখ্যাটো আগবঢ়ালোঁ।

— **সম্পাদক, প্ৰদীপ্তি**


**উপদেষ্টামণ্ডলী**
ফুলজ্যোতি শইকীয়া
ড° মুনমী কোঁৱৰ
ড° ৰবী দাউদুং লাংথাছা
ড° লক্ষ্যজিৎ বুঢ়াগোহাঁই

**তত্ত্বাৱধায়ক তথা বিভাগীয় মুৰব্বী**
ড° চিত্ৰজিৎ শইকীয়া

**সম্পাদক**
বিতু বুঢ়াগোহাঁই

**সহঃ সম্পাদক**
মানস গগৈ, চয়নিকা কুৰ্মী

**সদস্য**
দানিয়েল ওৰাং, জিণ্টু গোৱালা
আশিক মুণ্ডা, দিপশিখা ৰাজকোঁৱৰ

**ডি.টি.পি.**
কল্পদ্ৰুম প্ৰিণ্ট এণ্ড পাব্লিকেচন
কমলাবাৰী, দুলীয়াজান
ফোন নম্বৰ ঃ ৬০০২১৯৩৮৩৩

**অলঙ্কৰণ আৰু ছপা**
অন্বেষা প্ৰিণ্টাৰ্চ
দুলীয়াজান

# অসমীয়া কবিতাৰ সংক্ষিপ্ত ইতিহাস

**পুৰবী ফুকন,** *স্নাতক চতুৰ্থ ষাণ্মাসিক*

কবিতা মানৰ মনৰ সুকুমাৰ প্ৰকাশ। মানুহে পোনপটীয়াকৈ কোৱা কথাৰ বিপৰীতে সুৰীয়া কথাৰ প্ৰতি সহজেই আকৰ্ষণ অনুভৱ কৰে। পৃথিৱীৰ প্ৰতিটো সভ্য জাতিৰে সাহিত্যৰ আৰম্ভণি ঘটিছিল খুব সম্ভৱ কাব্যৰ মাজেৰে। অসমীয়া কবিতাৰ ইতিহাসক দুটা ভাগত ভগাব পাৰি— মৌখিক কবিতা আৰু লিখিত কবিতা।

মৌখিক কবিতা মানে মুখ প্ৰচলিত কবিতা। পৃথিৱীৰ আটাইবোৰ জাতিৰে সাহিত্য পোন প্ৰথমে মৌখিক ৰূপতে জন্ম হৈছিল। আমাৰ অসমীয়া সমাজতো পূৰ্বৰে পৰা কিছুমান কাব্যৰূপ মুখ পৰম্পৰাত প্ৰচলিত হৈ আহিছে। পৰৱৰ্তী কালত সংৰক্ষণৰ বাবে এনেবোৰ মৌখিক কবিতাক লিখিত ৰূপ প্ৰদান কৰা হ'ল। এইসমূহক গীতিকবিতা, লোককবিতা আদি ভিন্ন নামেৰে জনা যায়।

অসমীয়া সাহিত্যত লিখিত ৰূপত প্ৰথম কবিতাৰ সৃষ্টিৰ ইতিহাসক কেইবাটাও স্তৰত ভাগ কৰিব পাৰি—

১) আদি যুগ ঃ উদ্ভৱ কালৰ গীত-পদ (৯৫০-১৩০০)
২) মধ্য যুগ ঃ (ক) প্ৰাক্শংকৰী যুগ (১৩০০-১৯৪০)
(খ) শংকৰী যুগ (১৪৯০-১৭০০)
(গ) শংকৰোত্তৰ (১৭০০-১৮২৬)
৩) আধুনিক যুগ ঃ (ক) প্ৰাক ৰোমান্টিক কাল (১৮২৬-১৮৮৮)
(খ) ৰোমান্টিক কাল (১৮৮৯-১৯৪০)
(গ) যুদ্ধোত্তৰ কাল (১৯৪১- আশীৰ দশক)
(ঘ) অতি সাম্প্ৰতিক কাল (আশীৰ দশকৰ পৰা বৰ্তমানলৈ)

**১) আদি যুগ ঃ**

**ক) উদ্ভৱ কালৰ গীত-পদ ঃ** আদি যুগৰ অসমীয়া নিদৰ্শন চৰ্যাপদ বড়ু চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' আৰু ৰমাই পণ্ডিতৰ 'শূন্য পুৰাণ'ত পোৱা যায়। চৰ্যাপদসমূহ হৈছে বৌদ্ধধৰ্মৰ সহজযান পন্থাৰ ধৰ্মতত্ত্ব সম্বলিত গীত। এই গীতসমূহ ১৯০৪ চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীদেৱে নেপালৰ ৰাজদৰবাৰৰ পৰা উদ্ধাৰ কৰিছিল। এই পুথিখনত ৪৬ টা সম্পূৰ্ণ আৰু ১ টা খণ্ডিত দোহা আছে। মুঠ ২৪ জন সিদ্ধাচাৰ্যই এই গীতবোৰ ৰচনা কৰিছিল। কামৰূপৰ লোক বুলি পৰিচিত মীননাথ ৰচনা কৰা চৰ্যাটোৱেই আছিল প্ৰথম চৰ্যা। চৰ্যাগীতবোৰৰ বাহ্যিক অৰ্থ মুকলি আৰু স্পষ্ট। কিন্তু ইয়াৰ গূঢ়াৰ্থহে আচল সাৰবস্তু।

অসমীয়া ভাষাৰ উদ্ভৱকালীন স্তৰত ধৰিব পৰা অন্য এখন গ্ৰন্থ হ'ল ৰমাই পণ্ডিতৰ শূন্য পুৰাণ। শূন্য পুৰাণ পুথিখন ধৰ্মদেৱতাৰ পূজা বিষয়ক পুথি। বঙ্গৰ পশ্চিম অঞ্চল আৰু প্ৰাচীন অসমত ধৰ্মদেৱতাৰ পূজা চলিছিল। অসমীয়া কবিতাৰ স্তৰত এই কেইখনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

**২) মধ্য যুগ ঃ**

**ক) প্ৰাক্ শংকৰী যুগ ঃ** প্ৰাক্ শংকৰী যুগত কাব্য চৰ্চা কৰা কবি কেইজন হ'ল হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলি, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলি। কমতাৰাজ দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত হেম সৰস্বতীয়ে "প্ৰহ্লাদ চৰিত্ৰ" আৰু "হৰগৌৰী-সংবাদ" নামৰ দুখন কাব্য ৰচনা কৰিছিল। দুৰ্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ পৃষ্ঠপোষকতাত কবিৰত্ন সৰস্বতীয়ে "জয়দ্ৰথ বধ" কাব্য ৰচনা কৰিছিল। ৰুদ্ৰ কন্দলিয়ে "সাত্যকি প্ৰবেশ" কাব্য ৰচনা কৰিছিল। হৰিবৰ বিপ্ৰই "লব-কুশৰ যুদ্ধ" আৰু "বব্ৰুবাহনৰ যুদ্ধ" নামৰ দুখন কাব্য ৰচনা কৰিছিল। প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবিজন হৈছে মাধৱ কন্দলি। তেখেতে বৰাহী ৰজা মহা মানিক্যৰ পৃষ্ঠপোষকতাত বাল্মিকীৰ 'ৰামায়ণ' অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁৰ আন এখন কাব্য পুথি হ'ল 'দেৱজিৎ' কাব্য। কিন্তু কোনো কোনো পণ্ডিতৰ মতে এই কাব্যখন আন কোনোবাইহে মাধৱ কন্দলিৰ ছদ্মনাম লৈ ৰচনা কৰিছে বুলি কোৱা হয়। ইয়াৰ ভাষাও ৰামায়ণৰ লগত নিমিলে। মুঠতে পাঁচজন কবিৰ কাব্য সাধনাই প্ৰাক্ শংকৰী যুগৰ কবিতাৰ ইতিহাসক পৰিপূৰ্ণ কৰি তুলিছিল।

**খ) শংকৰী যুগ ঃ-** শংকৰদেৱৰ সৃষ্টি প্ৰতিভাক কেন্দ্ৰ কৰিয়েই এই যুগক শংকৰী যুগ বোলা হয়। এই যুগৰ শ্ৰেষ্ঠ কবিকেইজন হৈছে শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ। এই দুজনাৰ উপৰিও অনন্ত কন্দলি, ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলি, নাৰায়ণ দাস, কংসাৰি কায়স্থ আদি কবিসকলে শংকৰী যুগত কাব্যক সমৃদ্ধিশালী কৰি থৈ গৈছে। এই যুগৰ কাব্য ৰূপক প্ৰধানকৈ তিনিটা ভাগত ভগাই আলোচনা কৰিব পাৰি— কাব্য, অনুবাদমূলক আৰু কাব্যধৰ্মী গীত।

শংকৰী যুগৰ শ্ৰেষ্ঠ কবি শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হৈছে 'কীৰ্তন-ঘোষা'। ইয়াৰোপৰি তেখেতে বিভিন্ন কাব্যগ্ৰন্থ ৰচনা কৰিছে। তেওঁৰ ৰচনাসমূহ হৈছে— হৰিশচন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ, বলিচলন, অমৃত মথন, ৰামবিজয় ইত্যাদি। তেওঁৰ নাটসমূহক অংকীয়া নাট বুলি কোৱা হয়। শংকৰদেৱৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰীমাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ গ্ৰন্থখন হৈছে 'নাম-ঘোষা'। তেওঁৰ নাটসমূহক ঝুমুৰা বুলি কোৱা হয়। এই ঝুমুৰা কেইখন হৈছে চুৰধৰা, পিম্পৰা গুচোৱা, ভোজন বিহাৰ, ভূমি লেটোৱা, অৰ্জুন ভঞ্জন ইত্যাদি। শংকৰদেৱ আৰু মাধৱদেৱে একশ্ৰেণীৰ গীত ৰচনা কৰিছিল, যাক বৰগীত বুলি জনা যায়। শংকৰদেৱে প্ৰায় ছকুৰিমান বৰগীত ৰচনা কৰিছিল। কিন্তু বৰ্তমান সময়ত শংকৰদেৱৰ ৰচিত বৰগীতৰ ৩৪ টাহে পোৱা যায়। মাধৱদেৱে ১৫৭ টা বৰগীত ৰচনা কৰিছিল। ৰাম সৰস্বতীয়ে ৰজা নৰনৰায়ণৰ পৰা আৰম্ভ কৰি ৰঘুদেৱ, পৰীক্ষিত নাৰায়ন, দৰঙা ৰজা ধৰ্মনাৰায়ন আৰু সুন্দৰ নাৰায়নলৈকে কেইবাজনো ৰজাৰ পৃষ্ঠপোষকতাত মহাভাৰতৰ বিভিন্ন পৰ্বৰ ভাঙনি কৰাৰ লগতে আন পুথি ৰচনাতো আগভাগ লৈছিল। কবিয়ে মহাভাৰতৰ আদি পৰ্ব, ভীষ্ম পৰ্ব, গোপীনাথ দ্বিজৰ সহযোগত দ্ৰোণপৰ্ব আৰু কৰ্ণ পৰ্বৰ ভাঙনি কৰাৰ উপৰি মহাভাৰতৰ কথাবস্তুৰ আধাৰত সাবিত্ৰী উপাখ্যান, বিবাহ আদি বৰ্ণনামূলক কাব্যও প্ৰণয়ন কৰিছিল।

**গ) শংকৰোত্তৰ যুগ ঃ** মধ্যযুগৰ তৃতীয় আৰু অন্তিমটো স্তৰেই হৈছে শংকৰোত্তৰ যুগ। এই যুগৰ প্ৰধান কবিজন হৈছে ভট্টদেৱ। তেওঁৰ সম্পূৰ্ণ নাম বৈকুণ্ঠনাথ ভাগৱত ভটাচাৰ্য্য। শংকৰোত্তৰ যুগৰ সাহিত্যৰ প্ৰধান অৱলম্বন আছিল ঘাইকৈ সত্ৰসমূহৰ লগতে আহোম, কোচ, কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতা। এই যুগৰ কবিসকলৰ কাব্য ৰচনাৰ আধাৰ গ্ৰন্থ আছিল— ব্ৰহ্মবৈৱৰ্ত পুৰাণ, পদ্মপুৰাণ, ধৰ্ম পুৰাণ, মহাভাৰত আদি সংস্কৃত গ্ৰন্থসমূহ। শংকৰোত্তৰ যুগৰ কেইজনমান উল্লেখযোগ্য কবি হৈছে— গোপাল আতা, পদ্মপ্ৰিয়া, গোপাল মিশ্ৰ, গোবিন্দ মিশ্ৰ, দামোদৰ দাস ইত্যাদি। ভট্টদেৱে কথা-গীতা, কথা-ভাগৱত আৰু কথা-ৰত্নাৱলী এই তিনিখন গ্ৰন্থ ৰচনা কৰিছিল। তেখেতে ভক্তিসাৰ আৰু ভক্তি বিবেক নামৰ দুখন সংস্কৃত গ্ৰন্থও ৰচনা কৰিছিল।

**৩) আধুনিক যুগ ঃ**

**ক) প্ৰাক্ ৰোমান্টিক কাল ঃ** অৰুণোদই কাকতত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ সমন্ধীয় লেখাই স্থান লাভ কৰিছিল বাবেই আধুনিক কবিতাৰ ৰূপৰ সৃষ্টিত গুৰুত্ব দিয়া হোৱা নাছিল। এইছোৱা সময়ত বিশেষকৈ বঙ্গৰ মাইকেল মধুসূদন দত্তৰ কাব্যৰ আৰ্হিত অমিত্ৰাক্ষৰ ছন্দত কাব্য চৰ্চাৰ পৰিৱেশ এটাই গা কৰি উঠিছিল। প্ৰাক ৰোমান্টিক কালৰ কবিসকলৰ ভিতৰত কমলাকান্ত ভট্টাচাৰ্য্য, বলিনাৰায়ন বৰা আদি

উল্লেখযোগ্য। ৰোমান্টিক কালত কবিতাৰ ৰচনা হোৱা কাব্যিক পৃষ্ঠভূমি প্ৰাক্ ৰোমান্টিক কালতে নিৰ্মাণ হৈছিল।

**খ) ৰোমান্টিক কাল ঃ-** অসমীয়া ৰোমান্টিক কবিতাৰ সৃষ্টিত ইংৰাজী আৰু বাংলা সাহিত্যৰ প্ৰভাৱ আছে। অসমৰ প্ৰবাসী ছাত্ৰসকলে ইংৰাজী আৰু বাংলা দুয়োটা ভাষাৰ কবিতা অধ্যয়ন কৰি অসমীয়া সাহিত্যত নতুন কবিতা ৰচনাৰ প্ৰেৰণা পাইছিল। ১৮৮৮ খৃঃ ত কলিকতাতে প্ৰবাসী অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভা (চমুকৈ অ.ভা.উ.সা. সভা) গঠন কৰি পাছৰ বছৰত অৰ্থাৎ ১৮৮৯ খৃঃ ত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী' নামৰ মাহেকীয়া কাকত এখন প্ৰকাশ কৰে। জোনাকী কাকতেই অসমীয়া ৰোমান্টিক সাহিত্য সৃষ্টিত বিশিষ্ট ভূমিকা ল'লে। ৰোমান্টিক কবিতাৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় জোনাকী কাকতৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাত প্ৰকাশিত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কবিতাটোৱেই প্ৰথম অসমীয়া ৰোমান্টিক কবিতা। অসমীয়া ৰোমান্টিক কবিতাৰ ধাৰাটো শক্তিশালী কৰাত জোনাকী কাকতৰ উপৰিও সমসাময়িকভাৱে প্ৰকাশিত বিজুলী, বাঁহী আদি কাকতসমূহেও ভূমিকা লৈছিল। ১৮৮৯ চনৰ পৰা আৰম্ভ হোৱা ৰোমান্টিক যুগৰ প্ৰবাহ ১৯৪০ চনলৈকে দেখা যায়। (লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, পাৰ্বতী প্ৰসাদ বৰুৱা আদি ৰোমান্টিক যুগৰ উল্লেখযোগ্য কবি।)

**গ) যুদ্ধোত্তৰ কাল ঃ** অসমীয়া সাহিত্যত ১৮৮৯ চনৰ পৰা ১৯৪০ চন পৰ্যন্ত ৰোমান্টিক ভাৱধাৰাত সাহিত্য সৃষ্টি হৈছিল যদিও পঞ্চাশৰ দশকৰ পৰা ৰমন্যাসিক ভাৱবিলাসীতাৰ ঠাইত বাস্তৱবাদে গা কৰি উঠিছিল। কবিতাৰ ক্ষেত্ৰত দেখা যায় দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতাপুথি 'সাগৰ দেখিছা' ত ৰোমান্টিকতাৰ অৱসান আৰু আধুনিকতাৰ উন্মেষ ঘটিছিল।

আধুনিক অসমীয়া কবিতা সৃষ্টিত প্ৰত্যক্ষ ভূমিকা লৈছিল 'জয়ন্তী' আলোচনীয়ে। 'জয়ন্তী' ৰ পিছতে 'পছোৱা' আৰু 'ৰামধেনু' এই দুখন আলোচনীয়ে আধুনিক অসমীয়া কবিতাক নতুন মাত্ৰাৰে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। যুদ্ধকালীন সমাজত জনজীৱনৰ ছবি অংকন কৰিছিল অমূল্য বৰুৱাৰ 'কুকুৰ', ভৱানন্দ দত্তৰ 'ৰাজপথ' আদি কবিতাত। এই যুগৰ কবি আৰু কবিতাসমূহ হৈছে— নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটি তৰা', 'ৰাৱণ', 'সম্ৰাট'; হেম বৰুৱাৰ 'বালিচন্দা', 'মন ময়ুৰী', মহেন্দ্ৰ বৰাৰ 'জাতিস্মৰ', 'ৰূপৰ টিলিঙাৰ মাত'; নীলমণি ফুকনৰ আৰু কি নৈ: শব্দ', 'উলমি থকা গোলাপী জামুৰ লগ্ন' আদি অনেক কবিৰ কবিতাই যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাক পৰিপুষ্টি দি গৈছে।

**ঘ) অতি সাম্প্ৰতিক কাল ঃ** অতি সাম্প্ৰতিক কবিতাত কবিয়ে নিসঙ্গতাবোধ, আত্মকথন আদি কবিতাৰ ভাৰস্তু ৰূপে ধৰা দিছে। বেছিভাগ কবিৰ কবিতাত সমাজ চেতনাৰ লগত প্ৰগতিশীল ভাৱ একোটাই ক্ৰিয়া কৰিছে। এই যুগৰ কবি সকলৰ ভিতৰত নীলিম কুমাৰ, ৰাজীৱ ভট্টাচাৰ্য, ৰাজীৱ বৰা, মৃদুল বৰুৱা, সৌৰভ শইকীয়া আদিৰ নাম উল্লেখযোগ্য। আধুনিক অসমীয়া বিশেষকৈ অতি সাম্প্ৰতিক কালৰ অসমীয়া কবিতা সৃষ্টিত কবিসকল ব্যক্তিগত প্ৰচেষ্টাৰ লগতে প্ৰান্তিক, গৰীয়সী আদি আলোচনীৰ নামো ল'ব লাগিব।

এইদৰে আৰম্ভণি স্তৰৰ পৰা আহি আহি অসমীয়া কবিতাই আজিৰ যুগত উপনীত হৈছে। এই দীঘলীয়া পৰিক্ৰমাত অসমীয়া কবিতাই সমৃদ্ধি লাভ কৰাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰিছে।

# অসমীয়া ভাষাৰ সাম্প্ৰতিক স্থিতি

**বিতু বুঢ়াগোহাঁই,** *স্নাতক দ্বিতীয় ষাণ্মাসিক*

*"সুৱদি সুৱীয়া মোৰ অসমীয়া ভাষা জগতসভালৈ যাব,*
*উজ্জ্বল, সুউজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ'ব।"*

**অৱতৰণিকা ঃ**

বিখ্যাত গল্পকাৰ এলফ'ন্স ড'ডেটে তেওঁৰ "The Last Lesson" নামৰ গল্পটিত লিখিছিল, "নিজৰ মাতৃভাষাৰ নিচিনা সুন্দৰ, দাৰ্শনিক, কোমল ভাষা আন কোনো ভাষায়েই হ'ব নোৱাৰে।" এই ক্ষেত্ৰত বৃহত্তৰ অসম আৰু অসমীয়া জাতিটোক প্ৰতিনিধিত্ব কৰা সৰ্বাংগ সুন্দৰ, সুৱদী অসমীয়া ভাষাটো উল্লেখিত উক্তিটোৰ পৰা ব্যতিক্ৰম নহয়।

পৃথিৱীৰ বৃহত্তম ভাষা গোষ্ঠী ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ বিভিন্ন পৰিৱৰ্তনৰ ফলস্বৰূপে খ্ৰীষ্টীয় দশম-একাদশ শতিকাত অসমীয়া ভাষাৰ জন্ম হৈছিল। অসমীয়া ভাষা হৈছে ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তৰ এটা অতি শক্তিশালী ভাষা। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ ৩,১১,৬৯,২১১ জন লোকৰ আধা সংখ্যক লোকেই ভাব বিনিময়ৰ মাধ্যম হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে। ভাষাবিদ ড° গোলোক চন্দ্ৰ গোস্বামীৰ মতে, "অসমীয়া পৃথিৱীৰ শক্তিশালী ভাষাবোৰৰ অন্যতম। এই ভাষাৰ ভৱিষ্যত অতি উজ্জ্বল। এই শক্তিশালী ভাষাৰ কোনোদিন মৃত্যু হ'ব নোৱাৰে বা লুপ্ত হ'ব পাৰে বুলি কৰা আশংকাও অমূলক।" কিন্তু তথাপিও সময়ে-সময়ে অসমীয়া ভাষাৰ সংকট আৰু ইয়াৰ ভৱিষ্যত সম্পৰ্কে প্ৰশ্ন উত্থাপন নোহোৱাকৈ থকা নাই।

অসমৰ ইতিহাসে আমাক সোঁৱৰাই দিয়ে অসমত হোৱা ভাষা আন্দোলনৰ কথা। মানৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ অসমীয়াই ১৮২৬ চনত ইংৰাজক অসমলৈ আমন্ত্ৰণ কৰি আনে আৰু ইয়াণ্ডাবু সন্ধি অনুসৰি ইংৰাজে অসম শাসন কৰিবলৈ লয়। কিন্তু তাৰ সম্পূৰ্ণ দহ বছৰ পিছত, ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ তেওঁলোকে স্কুল-কলেজ, চৰকাৰী কাৰ্যালয় আদিৰ পৰা অসমীয়া ভাষা আঁতৰাই বঙালী ভাষাৰ প্ৰচলন আৰম্ভ কৰে। চৰকাৰ তথা একাংশ চতুৰ, স্বাৰ্থলোভী বঙালী মানুহৰ এই ষড়যন্ত্ৰৰ বিৰুদ্ধে কিছুমান সু-শিক্ষিত প্ৰবাসী অসমীয়া ছাত্ৰই বিৰোধ কৰিছিল। গতিকেই ক'ব পৰা যায় যে অসমীয়া ভাষাৰ ইতিহাস অনুকূল নাছিল। সমসাময়িক প্ৰেক্ষাপটলৈ চালেও দেখা যায় যে ভাষাটো বৰ্তমান সংকটৰ গৰাহত।

**ভাষাৰ আৰ্থ-সামাজিক স্থিতি ঃ**

জাতিৰ সংস্কৃতি সদায় সংকটৰ মাজেদিয়ে আহি আত্মপ্ৰতিষ্ঠা লাভ কৰে। প্ৰকৃততে ১৮২৬ চনৰ পৰাই অসমীয়া সংস্কৃতিৰ আধাৰ তথা অসমীয়া জাতিৰ স্থিতি শিথিল হ'বলৈ ধৰে। পৰাক্ৰমী আহোম শাসন তন্ত্ৰ কালত বাৰম্বাৰ পৰাজয় বৰণ কৰা দিল্লীৰাজে যেন ১৮২৬ চনত যেন অসম জয়হে কৰিলে। ব্ৰিটিছৰ শাসনাধীন হোৱাৰ দহ বছৰৰ পাছতেই অসমে প্ৰায় চাৰি দশকৰ বাবে ১৮৩৬ ৰ পৰা ১৮৭৪ লৈকে ৰাজ্যত ৰাজ্য ভাষাৰ মৰ্যাদা হেৰুৱালে অসমীয়া ভাষাই। সূচনা হ'ল অসমত বাংলা সম্প্ৰসাৰণ বাদৰ, ইয়েই অসমীয়া ভাষা সংস্কৃতিৰ সংকটৰ প্ৰথম আৰম্ভণি। এই সময়ৰ পৰাই আৰম্ভ হয় অসমীয়া জাতিৰ ভাষা-সংস্কৃতিক বিপন্ন কৰা অৰ্থনৈতিক শোষণ, ৰাজনৈতিক ভ্ৰষ্টাচাৰ, ভাষিক আৰু ধৰ্মীয় সম্প্ৰসাৰণবাদ।

বিগত ১৯০ বছৰীয়া বাংলা ভাষা-সংস্কৃতিৰ সম্প্ৰসাৰণবাদ প্ৰক্ৰিয়াই অসমীয়া জাতীয় জীৱনত অনেক সংকটৰ সৃষ্টি কৰিছে। ভাষা-সংস্কৃতি ধ্বংস কৰাৰ কেৱল চেষ্টাই নহয় ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি ক্ষেত্ৰবোৰৰ পৰাও অসমতে অসমীয়াক বিতাৰিত

কৰিছে। অসমীয়াই নিজৰ অংশক এই সকল বিদেশীৰ লগত ভাগ বতৰা কৰিব লগা হৈছে বাধ্যত পৰি। চৰকাৰী চাকৰি, শিক্ষা, স্বাস্থ্য আদি বিষয়ত অসমীয়াই তীব্ৰ সংগ্ৰাম কৰিব লগা অৱস্থা আহি পৰিছে। ক্ৰমাৎ ৰাজনৈতিক অৰ্থনৈতিক ক্ষমতা হেৰুৱাৰ উপক্ৰম হৈছে।

এটা জাতিৰ স্থিতি আৰু সুস্থতা নিৰ্ভৰ কৰে জাতিটোৰ পৰিপূৰ্ণ তথা নিৰঙ্কুস অৱস্থাৰ ওপৰতহে। এটা জাতিৰ স্থিতি ৰক্ষা হয় ভৌগোলিক স্থিতি, অৰ্থনৈতিক আত্ম নিয়ন্ত্ৰণ, ভাষিক মৰ্যাদা আৰু সাংস্কৃতিক সুস্থতাৰ ওপৰত। কিন্তু বৰ্তমান অসমীয়া জাতিয়ে এই চাৰিওটা স্থিতিয়ে হেৰুৱাৰ দিশত। এই চাৰিটাৰ এটা হেৰালে বাকী কেইটা স্থিতিও লুপ্ত হয়, কিন্তু অসমত আটাইকেইটাৰে ভেটি বৰ্তমান ঠৰক বৰক।

ৰাজনৈতিক ক্ষমতা দখল কাৰ্যক দীৰ্ঘস্থায়ী কৰি ৰাখিবৰ বাবে বিদেশী ভাষিক লোকক আশ্ৰয় দিয়া হৈছে। অসমলৈ বিদেশী জনপ্ৰৱজনৰ সোঁত বোৱাৰ প্ৰধান কাৰণ হ'ল চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত হোৱা অস্থিৰতা আৰু সেই দেশৰ দুৰৱস্থা। বাংলাদেশত শ্ৰম কৰিলেও পেট পুঁহিব নোৱাৰে অসমলৈ আহিলে জীৱন নিৰ্বাহ কৰা সহজ, তাতে অসমৰ মানুহবোৰ দয়ালু অতিথিপৰায়ণ। এই অতিথিপৰায়ণতাই অসমীয়া জাতিৰ ভাষিক গাঁঠনিলৈ কাল অমানিশা কঢ়িয়াই আনিছে।

ধৰ্মীয় সম্প্ৰসাৰণৰ উদ্দেশ্যেৰে অগণন বিদেশীলোকক অসমত পৰিকল্পিতভাৱে সংস্থাপনৰ যোগেদি অসমত বিদেশী লোকৰ সংখ্যা বঢ়োৱাৰ কাম পূৰ্বৰে পৰা পৰিকল্পিত ৰূপত চলি আহিছে। ইয়াৰ সৈতে ভাৰতীয় দলীয় ৰাজনৈতিক চক্ৰ, বাংলা ভাষিক সম্প্ৰসাৰণবাদী চক্ৰ আৰু ভাৰতীয় পুঁজিবাদী চক্ৰটোও জড়িত।

অসমীয়া জাতিক ভাষিক দৃষ্টিকোণৰ পৰা বিপন্ন কৰিব খোজা আন এটা প্ৰধান কাৰক হ'ল অসমত জাতীয় চেতনাৰ পৰিৱৰ্তে গোষ্ঠী চেতনাক, ধৰ্মীয় চেতনাক সক্ৰিয় কৰি তোলাৰ কু-অভিসন্ধি। এই ক্ষেত্ৰত অসমীয়া বিৰুদ্ধী শক্তিসমূহ বহু ক্ষেত্ৰত সফলো হৈছে। এই দিশত সহায় কৰিছে কিছুমান জ্ঞান বিবেকহীন অসমীয়াই। আজিৰ অসমত আমি অসমীয়া বুলি কোৱা মানুহ তাকৰ। মই আহোম,মই কোচ, মই বড়ো, মই মিচিং, মই কলিতা, মই চুতীয়া, মই বামুণ, মই সোনোৱাল, মই কছাৰী, মই ৰাভা আদি বুলি কোৱাহে বেছি ওলাব। এইদৰে এক অসমীয়া হৈ গোষ্ঠীগত ভাবে বিভাজিত হৈ শত্ৰুক চল দিছে আৰু নিজৰ জাতিক ধ্বংসৰ গৰাহলৈ থেলি দিছে। যিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অসমীয়া ভাষিক ঐক্যত কুঠাৰাঘাত কৰিছে। যাৰ ফলশ্ৰুতিতেই "অসম সাহিত্য সভা" ৰ দৰে জাতীয় অনুষ্ঠানৰ পৰা ফালৰি কাটি বিভিন্ন নামাকৰণেৰে বহুকেইখন জনগোষ্ঠীয় সাহিত্য সভাৰ প্ৰতিষ্ঠা হৈছে। যাৰ পৰিণতিতেই অসমীয়া ভাষা মূল সুঁতিৰ অসমীয়া মানুহৰ মুখত ক্ৰমাৎ এলাগী হ'বলৈ ধৰিছে।

**ভাষাৰ ৰাজনৈতিক স্থিতি ঃ**

তাহানিতে চৈয়দ চাদুল্লাই সাম্প্ৰদায়িক চিন্তাৰে পৰিকল্পিত ভাৱে মুছলমান সকলক অসমলৈ প্ৰবজন ঘটাইছিল আৰু এই সকল লোক যাতে অসমীয়া জাতি সত্বাৰ সৈতে সন্মিলিত হ'ব নোৱাৰে তাৰ বাবে বিচ্ছিন্ন চেতনা এটাক শক্তিশালী কৰি তুলিবলৈ প্ৰতিক্ৰিয়াশীল চক্ৰসমূহে অহৰহ কাম কৰি আছে যাতে তেওঁলোক সদায় মূলসুঁতিৰপৰা আঁতৰত থাকে। কেৱল এইয়াই নহয় দেশ স্বাধীন হোৱাৰ পাছতো বহু বিদেশী অসমলৈ আহিছে এইবোৰৰ মাজত হিন্দু মুছলমান সকলো আছে। ভাৰতীয় জনতা পাৰ্টায়ে ক্ষমতা লাভ কৰাৰ পাছত ভাৰতত এক নতুন নাগৰিকত্ব বিধেয়ক প্ৰনয়ণ কৰিলে। এই বিধয়েকেও অসমত ধৰ্মভিত্তিক গোষ্ঠী চেতনাক অধিক জাগ্ৰত কৰিলে যিয়ে প্ৰতিজন অসমীয়াৰ বাবে সংকট মাতি আনিলে তাত সন্দেহ নাই।

প্ৰত্যেক ক্ৰিয়াৰে সমান আৰু বিপৰীত মুখী প্ৰতিক্ৰিয়া থাকে, চৈয়দ চাদুল্লাই অসমত মুছলমান সম্প্ৰসাৰণ কাৰ্যকৰী ব্যৱস্থা লোৱাৰ লগে লগেই তাৰ প্ৰত্যুত্তৰত সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে অগণন বিহাৰী মানুহক অসমলৈ প্ৰেৰণ কৰিছিল মুছলমানৰ সংখ্যা কমাবলৈ হয়টো কিন্তু এই সকল লোক কোনোদিন অসমীয়া বৃহত্তৰ সুঁতিৰ লগত মিলি যাবৰ চেষ্টা নকৰিলে, আৰু তেতিয়াৰ পৰা আহি থকা কোনো মানুহে অসমৰ স্বাৰ্থৰ কথা ভাবিবলৈ নিশিকিলে আৰু নিজক অসমীয়া বুলি ভবাৰ প্ৰয়োজনবোধো নকৰিলে। এনে বিচ্ছিন্ন চেতনাই বিগত ৬০-৭০ বছৰ জুৰি অসমীয়া সংস্কৃতিৰ বিকাশত সদায় বাধা দি আহিছে।

ৰাজনৈতিক ক্ষমতা দখল কাৰ্যক দীৰ্ঘস্থায়ী কৰি ৰাখিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা ইয়াৰ অনুগামী ৰাজ্য চৰকাৰবোৰে অসমীয়া জাতীয় সত্বাক খৰ্ব কৰিব পৰা নানান কুটকৌশল অৱলম্বন কৰা দেখা যায়। বৰ্তমান শাসনাধীন চৰকাৰৰ নতুন নাগৰিকত্ব সংশোধনী আইনো এই কুট কৌশলৰে অংশ মাথো যাতে অসমীয়া জাতীয় সত্বাক ধ্বংস কৰি নিজৰ ৰাজনৈতিক ক্ষমতাক সুদৃঢ় কৰিব পাৰি।

ভাৰতীয় পুঁজিপতি সকলেও সদায় চেষ্টা কৰে যাতে অসমত কাহানিও একক জাতীয় সত্বা গঢ় লৈ নুথে। পুজিপতি সকলৰ বাবে অসমত একক জাতীয় চেতনাৰ বিপৰীতে বহু জাতি, ভাষা বহু ধৰ্মৰ বিচ্ছিন্ন দেশ হোৱাই বাঞ্ছনীয় কাৰণ তেনে হ'লেহে অসমৰ সম্পদ শোষণ আৰু লুণ্ঠন কৰা সম্ভৱ হয়।

সংক্ষেপতে ক'বলৈ গ'লে কেন্দ্ৰীয় চৰকাৰ, বাংলাভাষিক সম্প্ৰসাৰণবাদী আৰু মুছলমান/হিন্দু ধৰ্মীয় সম্প্ৰসাৰণবাদী চক্ৰ আৰু শোষক পুঁজিপতি বনিক গোষ্ঠীৰ উমৈহতীয়া ষড়যন্ত্ৰই অসমৰ জাতিসত্বা, সংস্কৃতিক, ভাষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক স্থিতি ভিতিগ্ৰস্ত কৰি তুলিছে। আমি নজনাকৈয়ে আমাৰ ভৌগোলিক স্থিতি, অৰ্থনৈতিক আত্মনিয়ন্ত্ৰণ, অসমীয়া ভাষাৰ মৰ্যাদা খৰ্বকৰণ, অসমীয়া সংস্কৃতিৰ বিপৰ্যয় সাধন কৰিবলৈ বহু ৰাজনৈতিক অৰাজনৈতিক চক্ৰই অহৰ্নিশে কাম কৰি আছে।

**ভাষাৰ শৈক্ষিক স্থিতি ঃ**

বৰ্তমানৰ অসমীয়া সকল নিজ মাতৃভাষাৰ প্ৰতি সচেতন নহয়। তেওঁলোক, নিজ সন্তানক মাতৃভাষা মাধ্যমৰ চৰকাৰী পঢ়াশালিৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ স্কুলত পঢ়াবলৈহে আগ্ৰহী। ইংৰাজী মাধ্যমৰ স্কুলবোৰত অসমীয়া ভাষা এটা বিষয় হিচাপে পঢ়োৱা হয় যদিও এইবোৰ স্কুলত 'অসমীয়া' বিষয়টো প্ৰায়ে অৱহেলিত। সমাজৰ তথাকথিত উচ্চ খাপৰ লোকসকলে আক' ঘৰতো সন্তানৰ সৈতে ইংৰাজীত কথাপাতিহে ভাল পায়। ফলস্বৰূপে বৰ্তমানৰ এক বুজনসংখ্যক অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু নৱপ্ৰজন্মই শুদ্ধকৈ অসমীয়া লিখিব বা পঢ়িব নাজানে। জনাসকলৰো গৰিষ্ঠসংখ্যকে কথাৰ মাজত অনেক ইংৰাজী আৰু হিন্দী শব্দ ব্যৱহাৰ কৰি দিনক দিনে আমাৰ ভাষাটো বাৰে-বঙলুৱা কৰি আনিছে। গতিকে অসমীয়া ভাষা বৰ্তমান এক গভীৰ সংকটৰ সন্মুখীন হৈছে। এয়া আপুনি, মই আৰু অনেক মাতৃভাষা ভালপোৱা অসমীয়ালোকৰ সাম্প্ৰতিক ধাৰণা। এই ধাৰণা অৱশ্যেই অমূলক নহয়।

ইংৰাজৰ দিনৰে পৰা অসমীয়া ভাষা অসমতে বিভিন্ন সময়ত বিভিন্ন সংকটৰ সন্মুখীন হ'ব লগা হৈছে। কিন্তু সেইবোৰৰ পটভূমি আছিল বেলেগ। ১৮৩৬ চনৰ পৰা ১৮৭৩ লৈ ইংৰাজ চৰকাৰে বাঙালী আমোলাৰ প্ৰৰোচনাত আমাৰ ৰাজ্যখনৰ অফিচ-কাছাৰী আৰু বিদ্যালয়ৰ পৰা অসমীয়া ভাষাক বিতাড়িত কৰিছিল। কেইজনমান আমেৰিকান মিছনাৰী আৰু কিছু স্বদেশপ্ৰেমী অসমীয়াৰ অহোপুৰুষাৰ্থত ১৮৭৩ চনতহে আমাৰ ভাষাটিয়ে পুনৰ প্ৰতিষ্ঠা লাভ কৰে। ইয়াৰ প্ৰায় এশ বছৰৰ পিছতো ১৯৬০ চনত স্বাধীন দেশৰ স্বাধীন ৰাজ্যখনত মাতৃভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিবলৈ আকৌ অসমৰ ৰাইজে আন্দোলন

কৰিব লগা হয়। কেৱল সেয়ে নহয়, বাৰ বছৰ পিচতে ১৯৭২ চনত মাতৃভাষাক উচ্চশিক্ষাৰ মাধ্যম কৰিবলৈও অসমীয়া ৰাইজ আন্দোলনৰ কাৰ্যসূচীৰে ৰাজপথলৈ ওলাই আহিব লগা হ'ল। "৬০ ৰ ভাষা আন্দোলন আৰু ৭২ ৰ মাধ্যম আন্দোলন"ত কেইবাজনো তৰুণ অসমীয়াই 'চিৰ চেনেহী ভাষা জননী'ৰ স্বাৰ্থত প্ৰাণ আহুতি দিব লগা হ'ল। ১৮৩৬ ৰ পৰা ১৯৭২ লৈ এই প্ৰায় ডেৰ শতিকা ধৰি অসমীয়া ৰাইজে নিজ মাতৃভাষাৰ প্ৰতি প্ৰদৰ্শন কৰা প্ৰেম,অধ্যৱসায় আৰু ত্যাগ আছিল অতি চমকপ্ৰদ ( !) এইখিনি সময়তে অসমীয়াসকল মাতৃভাষাক লৈ স্বাভিমানী হ'বলৈ শিকিলে; উচ্চ শিক্ষাৰ বাবে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ দৰে অনুষ্ঠান জন্ম দি সাহিত্য চৰ্চাত মনোনিবেশ কৰিলে আৰু সময়ত 'অসম সাহিত্য সভা'ৰ দৰে আগশাৰীৰ অনুষ্ঠানৰ জন্ম হ'ল। লাহে লাহে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমীয়া ভাষা উজ্বলি উঠিল।

কিন্তু যোৱা শতিকাৰ শেষ দশকৰ পৰা অসমৰ প্ৰায় সকলো ঠাইতে ব্যক্তিগত খণ্ডত অনেক ইংৰাজী মাধ্যমৰ স্কুল গঢ় লৈ উঠিল। কঠোৰ নিয়মানুবৰ্তিতা মানি পাঠদান কৰা এই স্কুলবোৰৰ শিক্ষাৰ মান উন্নত বুলি মানিবই লাগিব। আনহাতে অসম আন্দোলনৰ সময়তে আৰম্ভ হোৱা 'বন্ধ সংস্কৃতি' আৰু পৰৱৰ্তী সময়ৰ নিষ্ঠাহীন পাঠদান আৰু সোপাটিলা নিয়মানুবৰ্তিতাৰ বাবে চৰকাৰী স্কুলৰ ফলাফল নিম্নগামী হ'বলৈ ধৰিলে। দিন যোৱাৰ লগে লগে চৰকাৰী স্কুলৰ প্ৰতি অভিভাৱকৰ আস্থা কমি আহিল। পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ৰাজ্যখনৰ গ্ৰামাঞ্চলতো চুকে-কোণে ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিল। চাই থাকোতেই শিক্ষা এক ব্যৱসায়ত পৰিণত হ'ল। অতি দৰিদ্ৰসকলৰ বাদে কোনেও চৰকাৰী স্কুললৈ নিজৰ সন্তান নপঠোৱা হ'ল। চৰকাৰী স্কুলত তলা মাৰিব লগা অৱস্থা পালেহি। এই পৰিৱৰ্তিত পৰিস্থিতিৰ আটাইতকৈ দুখলগা চিকাৰ হ'ল আমাৰ মাতৃভাষা ( !) বৰ্তমান প্ৰজন্মৰ বহুতৰে অসমীয়া বৰ্ণ পৰিচয় নাই, বহুতে পঢ়িব পাৰিলেও শুদ্ধকৈ লিখিব নাজানে, তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে নিজকে সপ্ৰতিভ (smart) দেখুৱাবলৈ এওঁলোকে অসমীয়াত কথা পাতিলেও বাক্যৰ মাজত সঘনে ইংৰাজী আৰু হিন্দী শব্দ ব্যৱহাৰ কৰে। এওঁলোকৰ কথাত চ' (so) 'তো' (হিন্দী) আদি শব্দবোৰ শুনিলে এনে লাগে যেন অসমীয়াৰ গতিকে, সেইহেতু, সেইকাৰণে, সেইবাবে, হেনজানি আদি শব্দবোৰ নোহোৱাই হ'ল ! বাছ এখনত একান্তমনে কথাপাতি যোৱা তৰুণ-তৰুণী এহাললৈ কাণ দিলেই এনেকুৱা অনেক উদাহৰণ পোৱা যায় । এই অৱস্থা বৰ্তি থাকিলে কিছু বছৰৰ ভিতৰতে যে অসমীয়া ভাষা বিলুপ্ত হৈ পৰিব, ই ধুৰূপ। এয়াই সম্প্ৰতি আমাৰ মাতৃভাষাৰ সংকট। দুখৰ কথা যে বৰ্তমানৰ এই ভাষা সংকট আমাৰ স্বনিমন্ত্ৰিত !

মাতৃভাষাৰ প্ৰতি নৱপ্ৰজন্মৰ অনীহা সঁচাকৈয়ে দুৰ্ভাগ্যজনক। কিন্তু বৰ্তমানৰ সংকটৰ বাবে কেৱল তেওঁলোককে জগৰীয়া কৰিব নোৱাৰি। অকণমান মন কৰিলেই দেখা যায় যে অভিভাৱক, সমাজ আৰু চৰকাৰ সকলোৰেই এই সমস্যাৰ বাবে কম-বেছি পৰিমানে দায়ী। সিমানখিনি বিচাৰ কৰাৰ যোগ্যতা আমাৰ নাই আৰু সেয়া এই লেখাৰ উদ্দেশ্যও নহয়। শিক্ষাবিদ, ভাষাবিদ আৰু চৰকাৰৰ সন্মিলিত উদ্যোগে কৰণীয়খিনি চিনাক্ত কৰি তৎকালে সংকটমোচনৰ ব্যৱস্থা লব বুলি আমি আশাবাদী।

**সামৰণি ঃ**

প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে, আৰু সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। জাতীয় সাহিত্য জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাব-কল্পনা প্ৰকাশৰ থল। ভাষা-সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত-বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰ ইংগিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ ভাষা-সাহিত্যৰ অধ্যয়ন অপৰিহাৰ্য।

অসমীয়া ভাষা-সংস্কৃতিৰ বৰ্তমানৰ যি দুৰৱস্থা তালৈ লক্ষ্য কৰিলে দেখা যাব যে, আন বহুবোৰ কাৰণো ইয়াৰ বাবে জগৰীয়া। সেইবিলাকৰ ভিতৰত হ'ল ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ, শিক্ষা ব্যৱস্থাত গ্ৰহণ কৰা কেতবোৰ ভিত্তিহীন সিদ্ধান্ত, অসমীয়া সাহিত্য-সংস্কৃতি বিশেষকৈ অসমীয়া বৌদ্ধিক মহলত দেখা দিয়া জড়তা, অসমীয়া লোকৰ জাতীয়তাবাদী চিন্তাধাৰা তথা সাংস্কৃতিক চেতনাবোধৰ অভাৱ ইত্যাদি। ইয়াৰ উপৰি, অসমীয়া ভাষাৰ দুৰৱস্থাৰ লগত জড়িত হৈ আছে অসমীয়া জাতি আৰু ভাষাৰ মূল অংগস্বৰূপ অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানসমূহৰ ভিতৰছোৱাত হৈ থকা আভ্যন্তৰীণ কন্দল আৰু সাহিত্য সভাৰ লগত জড়িত এচাম লোকৰ খোৱা-কামোৰাৰ ৰাজনীতি।

বৰ্তমান সময়ত এচাম অসমীয়া লোকৰ নিজৰ ভাষাটোক লৈ থকা সংকীৰ্ণ মানসিকতা, বিৰূপ মনোভাব আৰু অজ্ঞতাবোৰেও অসমীয়া ভাষা-সংস্কৃতিৰ উত্তৰণত বাধাৰ সৃষ্টি কৰিছে। অসমীয়া ভাষা-সাহিত্যৰ এই সংকটৰ সময়তো গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে অসমৰ ঐতিহাসিক উচ্চশিক্ষানুষ্ঠানখনে অসমীয়া বিষয়ৰ গৱেষণা পত্ৰ বহিঃৰাজ্যৰ অসমীয়া বিষয়ৰ জ্ঞান নথকা বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰিবলৈ দিয়ে বুলি যি বহুচৰ্চিত বাতৰি আমাৰ পৰিলক্ষিত হৈছে, সিও অসমীয়া ভাষা-সাহিত্যৰ ধ্বংসযজ্ঞত নতুনকৈ ইন্ধন যোগাইছে। এইটো নিসন্দেহে অসমীয়া সাহিত্য আৰু বৌদ্ধিক জগত আৰু অসমৰ খিলঞ্জীয়া ৰাইজৰ বাবে অতিকৈ চিন্তনীয় দিশ।

ওপৰৰ আলোচনাৰ ভিত্তিত আমি এটা সিদ্ধান্তলৈ আহিব পাৰোঁ যে, হয়তো এনেদৰে হ'লে একবিংশ শতিকাৰ শেষভাগলৈ আমাৰ সুৱদি-সুৱীয়া মাতৃভাষাটোৰ আয়ুসকাল শেষ হোৱাৰো উপক্ৰম হ'ব পাৰে। কিয়নো, বৰ্তমান সময়ত যি মাৰাত্মক বীজাণুৱে আমাৰ জীৱিত ভাষাটোৰ গাত বেয়াকৈ আক্ৰমণ কৰি ইয়াক ধৰাশায়ী কৰি তুলিছে তাৰ পৰা পৰিত্ৰাণ পোৱাৰ বাটবোৰ ক্ৰমান্বয়ে যেন বন্ধ হৈ যাব ধৰিছে। অসমীয়া খিলঞ্জীয়া জনসাধাৰণ, অসমৰ বৌদ্ধিক সমাজ, বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ শিক্ষকবৃন্দ, অসম সাহিত্য সভা, অসমৰ জাতীয় সংগঠন আদি সকলোৱে আমি নিজৰ ভুলবোৰ শুধৰাই এই বীজাণুবোৰক প্ৰতিহত কৰি আমাৰ মাতৃভাষাটোক ৰক্ষা কৰিবলৈ মাৰ বান্ধি ওলাই নাহোহঁক তেন্তে অদূৰ ভৱিষ্যতে আমাৰ সুৱদি-সুৱীয়া চিৰ-চেনেহী ভাষাটো কালৰ গৰাহত হেৰাই যোৱাটো প্ৰায় নিশ্চিত।

গতিকে ভাৰতীয় গণৰাষ্ট্ৰৰ উত্তৰ-পূব ৰাজ্য অসমৰ প্ৰধান ভাষা আৰু সাহিত্য ভাষা তথা ভাৰতৰ সংবিধানৰ দ্বাৰা স্বীকৃত ২২ টা প্ৰধান ভাষাৰ ভিতৰত অন্যতম ভাষা, অসমীয়া সাংস্কৃতিক জীৱনৰ প্ৰতীক, অসমীয়া জীৱনৰ অভিব্যক্তি, অসমীয়া চিন্তা-ভাৱনাৰ ধাৰা, আশা-আকাংক্ষা, ধৰ্ম-সমাজ, আচাৰ-নীতি, জীৱনবীক্ষা আৰু মানসিক প্ৰগতিৰ ইতিহাস প্ৰতিফলিত কৰা অসমীয়া ভাষাটোক যিদিনাখনলৈকে লুইতৰ বুকুৰেদি জলধাৰা প্ৰবাহিত হৈ থাকিব সেই দিনটোলৈকে যিকোনো প্ৰত্যাহ্বান অতিক্ৰম কৰি আমি অসমীয়া লোকসকলেই অসম ভূমিত জীয়াই ৰাখিব লাগিব।

*(বিঃ দ্ৰঃ এই লেখাটি প্ৰস্তুত কৰোঁতে ইণ্টাৰনেট আৰু বিভিন্ন প্ৰবন্ধৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।)*

# অসমীয়া ভাষা ঃ (১৮৩৬-২০২৩)

**অংকুৰ মান চুতীয়া,** *স্নাতক দ্বিতীয় ষাণ্মাসিক*

১৮৩৬ খৃষ্টাব্দত শ্ৰদ্ধেয় নাথান ব্ৰাউন চাহাব উপস্থিত হৈছিলহি শদিয়াত, কলিকতাৰ পৰা ব্ৰহ্মপুত্ৰইদি অশেষ কষ্টেৰে আহি। তেখেতে শিৱসাগৰত প্ৰেছ খুলি খ্ৰীষ্টান ধৰ্মপুস্তক অসমীয়াত অনুবাদ কৰি প্ৰকাশ কৰিছিল। তেখেতে আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ তৰফৰ পৰা 'Grammatical Notes of Assamese Language' বুলি প্ৰথম অসমীয়া ব্যাকৰণ পুথিখন লিখিছিল আৰু প্ৰকাশ কৰিছিল। চ্যুকাফাই সাতৰাজ সামৰি একৰাজ কৰি জন্ম দিলে বৃহৎ অসমীয়া জাতিৰ। তেনেদৰে অসমীয়া ভাষাক অসমত সুপ্ৰতিষ্ঠিত কৰাত সৰ্বাত্মক অৰিহণা যোগালে ব্ৰাউন চাহাবে। যদিও তেওঁৰ উদ্দেশ্য খৃষ্টান ধৰ্মপ্ৰচাৰ আছিল তথাপি তেওঁ প্ৰথম ছপাশাল পাতি অসমীয়া ভাষাত কিতাপ-পত্ৰ ছপা কৰি অসমীয়া জাতিৰ কাৰণে মূল্যবান অৰিহণা যোগাই থৈ গ'ল। তেওঁৰ সহযোগী হিচাবে নিধিৰাম কেওট নামে এজন অসমীয়া লোকে তেওঁক বহুতো সহায় কৰিছিল। খৃষ্টান ধৰ্ম গ্ৰহণ কৰি তেওঁ নাম লৈছিল নিধি লিবাই ফাৰৰেল। তেওঁ অসমীয়া জাতিৰ এজন সদাস্মৰণীয় অসমীয়া লোক।

আন এজন বৃটিছ লোক ড° মাইলছ ব্ৰনছন চাহাবে বাৰ বছৰ অক্লান্ত পৰিশ্ৰম কৰি প্ৰথম অসমীয়া অভিধান 'A Dictionary in Assamese and English' প্ৰকাশ কৰিছিল ১৮৬৭ চনত মুঠ ১৪,০০০ শব্দৰে। ১৮৪৬ চনত প্ৰথমে শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া কাকত 'অৰুণোদই' প্ৰকাশ পাইছিল। ধৰ্মান্তৰিত হৈছিল যদিও নিধিৰাম কেওটে অসমীয়া ভাষাৰ উন্নতিৰ কাৰণে অশেষ অৰিহনা যোগাই গ'ল। 'অৰুণোদই' ত তেখেতে বহুত লেখা-মেলা কৰিছিল।

'ধৰ্মপুস্তক' প্ৰথম অসমীয়া ভাষাৰ ছপাপুথি। ই বাইবেলৰ অসমীয়া অনুবাদ। শ্ৰীৰামপুৰৰ মিছনেৰী উইলিয়াম কেৰিৰ উদ্যোগত ১৮১৩ চনত নগাঁও জিলাৰ কলিয়াবৰৰ নিবাসী আত্মাৰাম শৰ্মাই বাইবেলৰ 'নিউ টেষ্টামেন'খন 'ধৰ্মপুস্তক' নামেৰে অসমীয়ালৈ ভাঙনি কৰে। ইয়াত 'ৰ' আৰু 'ৱ' ৰ ব্যৱহাৰ হৈছিল। এইখন কলিকতাৰ প্ৰেছত মুদ্ৰিত হৈছিল।

অসমৰ সত্ৰীয়া-সংস্কৃতিৰ পীঠস্থান মাজুলীৰ আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে অসমৰ প্ৰথম স্বদেশীলোকে প্ৰকাশ কৰা সংবাদপত্ৰ ১৮৭১ চনত "আসাম বিলাসিনী" প্ৰকাশ কৰে মাজুলীত স্থাপন কৰা 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' নামৰ ছপাশালৰ পৰা। এইখন অসমৰ পৰা প্ৰকাশ পোৱা দ্বিতীয়খন সংবাদ পত্ৰ আছিল। দত্তদেৱ গোস্বামীক সহায় কৰিছিল আউনিআটী সত্ৰৰে এজন বৈষ্ণৱ তথা সংবাদপত্ৰখনৰ প্ৰকাশক শ্ৰীধৰ বৰুৱাই। ১৮৮৩ চনলৈকে প্ৰায় ১২ বছৰকাল চলাৰ পিছত সত্ৰ স্থানান্তৰ হোৱাত কাকতখন বন্ধ হৈ যায়। আকৌ দ্বিতীয়বাৰ ১৯১৩ চনত যোৰহাটৰ পৰা কৃষ্ণকান্ত ভট্টাচাৰ্যৰ চেষ্টাত এখন সাদিনীয়া জাতীয়তাবাদী কাকতৰ ৰূপত 'আসাম বিলাসিনী' পুনৰ প্ৰকাশ হৈছিল। পিছে চৰকাৰৰ বিৰোধিতা কৰি প্ৰৱন্ধ-পাতি প্ৰকাশ কৰাৰ অপৰাধত ১৯৪২ চনত কাকতখনৰ প্ৰকাশ বন্ধ কৰা হয়।

ইতিমধ্যে ড° ব্ৰনছন চাহাব অহাৰ আগতেই ইংৰাজে ১৮৩৬ চনৰ পৰা অসমত বঙলা ভাষা শিক্ষা আৰু প্ৰশাসনীয় ব্যৱস্থাত প্ৰচলন কৰিছিল। ড° ব্ৰনছন চাহাবে ভালদৰে বুজি পাইছিল যে এটা সমৃদ্ধ নিজৰ ভাষা থাকোতেও জোৰ কৰি বিদেশী বাংলা ভাষা চলাই তেওঁলোকে সাধাৰণ জনসাধাৰণৰ কাষ চাপিব নোৱাৰিব। তাকে ভাবি তেওঁ দেহে-কেহে অসমীয়া ভাষাৰ উন্নতিৰ বাবে খাটিবলৈ ধৰিলে। তেওঁ নিজৰ কৰ্মভূমি নগাঁৱলৈ তুলি অনাৰ পিছত নগাঁৱৰ উপ-সহকাৰী আয়ুক্ত অসমীয়া বিষয়া আনন্দৰাম ঢেকীয়াল ফুকনক লগ পালে। দুয়ো অসমীয়া ভাষাৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলে।

১৮৫৩ চনত ব্ৰিটিছ গৱৰ্ণৰ মোফাট মিলছ্ চাহাব অসমলৈ আহোঁতে ঢেকিয়াল ফুকনে অসমৰ বিদ্যালয়ত অসমীয়া ভাষা প্ৰচলনৰ বাবে যুক্তি দাঙি ধৰি আবেদন কৰিছিল। মিলছ্ চাহাবে তেখেতৰ যুক্তিক সমৰ্থন জনাইছিল। নগাঁৱত চাকৰিকালত ঢেকিয়াল ফুকন মিছনেৰী ব্ৰনছন আৰু আয়ুক্ত বাটলাৰৰ সংস্পৰ্শলৈ আহে। ফুকনদেৱে 'অসমীয়া ল'ৰাৰ মিত্ৰ' আৰু ১৮৫৫ চনত 'A few remarks on the Assamese language, and on the vernacular education in Assam' নামৰ গ্ৰন্থখন লিখি উলিয়ায়। A native নামেৰে শিৱসাগৰতে এই দ্বিতীয়খন কিতাপৰ ১০০ টা কপি ছপা কৰি , বেংগল চৰকাৰ আৰু ভাৰতৰ অন্যান্য গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয়লৈ পঠিয়ায়। পুথিখনত অসমীয়া ভাষাযে এটা স্বতন্ত্ৰ ভাষা, বঙালী ভাষাৰ ঠাল নহয় তাক ফঁহিয়াই দেখুৱাইছে। তেখেতৰ অসমীয়া ভাষাৰ প্ৰতি অনুৰাগ সদাস্মৰণীয়।

মাইলছ্ ব্ৰনছনৰ অভিধানখনকে প্ৰমাণ হিচাবে লৈ তেওঁৰ ৩৭ বছৰীয়া সংগ্ৰামৰ শেষত ১৮৭৩ চনৰ ১৯ এপ্ৰিলত অসমীয়া ভাষাই অসমত স্বীকৃতি লাভ কৰিলে আৰু সেইবছৰৰ ২৫ জুলাইৰ পৰা অসমত অফিচ-কাছাৰী আৰু স্কুলীয়া শিক্ষাৰ মাধ্যম হিচাবে অসমীয়া ভাষাৰ প্ৰচলন আৰম্ভ হ'ল। অসমীয়া ভাষাৰ উদিত আকাশত ৰেভাৰেণ্ড মাইলছ ব্ৰনছন চাহাব সদায়েই ধ্ৰুৱতৰা হৈ জিলিকি থাকিব।

তাৰপিছত আহিল কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলৰ অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ প্ৰতি জাতীয় প্ৰেমৰ উন্মেষ। 'জোনাকী' যুগৰ হীৰা যেন ত্ৰিমূৰ্তি চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাক কেৱল স্বকীয়তা প্ৰদানেই নহয় এটি উচ্চ খাপৰ ভাষালৈ আগবঢ়াই লৈ গ'ল। বেজবৰুৱাদেৱে অসমীয়া ভাষাৰ প্ৰায় সকলো বিভাগতে লেখি ভাষাটোৰ সৌধ বান্ধি থৈ গ'ল। হেমচন্দ্ৰ বৰুৱাদেৱে অশেষ কষ্ট কৰি 'হেমকোষ' অভিধান প্ৰণয়ন কৰিলে। কলিকতাত প্ৰথমে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা', (অঃ ভাঃ উঃ সাঃ, ইংৰাজী ঃ Assamese Language Development Society), গঠন হ'ল ১৮৮৮ চনৰ ২৫ আগষ্টৰ দিনা। ই আছিল অসম সাহিত্য সভাৰ পূৰ্ববৰ্তী পৰ্যায়। সভাৰ প্ৰথম সম্পাদক আছিল শিৱৰাম শৰ্মা বৰদলৈ।

তেতিয়াৰেপৰা এতিয়ালৈকে অসমীয়া ভাষাৰ উন্নতিৰ লগতে ঘাত-প্ৰতিঘাতো সমানে চলি আছে। ১৯৬০চনত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাবে প্ৰৱৰ্তন কৰাৰ দাবীত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে জোৰদাৰ আন্দোলন গঢ় লৈ উঠিছিল। সেই আন্দোলনত কটন কলেজৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰী প্ৰথম শ্বহীদ হৈছিল।

অসমত মহাবিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি কৰা আন্দোলনত ১৯৭২ চনৰ ৬ অক্টোবৰৰ দিনা অষ্টম শ্ৰেণীৰ ছাত্ৰ মোজাম্মিল হকে এদল দুৰ্বৃত্তৰ হাতত প্ৰথমেই প্ৰাণ বিসৰ্জন দিয়ে। অসমত চৰকাৰীভাৱেই হওক বা শিক্ষাৰ মাধ্যম হিচাবেই হওক ভাষাটোক প্ৰতিষ্ঠা কৰিবলৈকে ইমান সংগ্ৰাম কৰিবলগা হৈছে তথাপিও ইয়াৰ মূলসুঁতিটো সুন্দৰভাৱে প্ৰবাহিত হৈ আছে। স্বনামধন্য সাহিত্যিকসকলে উৎকৃষ্ট বৰঙণি যোগাই ভাষাৰ ফুলনিখন নানাৰঙী ফুলেৰে জাতিষ্কাৰ কৰি তুলিছে।

অসমীয়া ভাষা শ্ৰদ্ধেয় বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সুমধুৰ লেখনিৰে পুষ্ট ভাষা। *(৭ পৃষ্ঠাত)*

# জীৱনৰ মহত্তম সুখ

**জিণ্টি বড়া,** *স্নাতক দ্বিতীয় ষাণ্মাসিক*

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ আগৰৱালাই কৈছিল, “সুকুমাৰ কলা আমাৰ বহিৰ্ভাগৰ শ্ৰেষ্ঠ সম্পদ। ইয়েই মানুহৰ জীৱনত সৌন্দৰ্য প্ৰয়োগ কৰাৰ আটাইতকৈ শ্ৰেষ্ঠ উপায়, যাৰ দ্বাৰা মানুহৰ জীৱনত আনন্দ বেছিকৈ ল'ব পাৰি।”

দৰাচলতে সুখ আমাৰ নিজৰ হাততে থাকে। কিন্তু সেই সুখ আমি চিনি নাপাই নিজে নিজৰ দুখ বৃদ্ধি কৰি লওঁ। নিজে টানি লোৱা জালত যি দৰে মকৰা সোমাই থাকে ঠিক সেইদৰে আমাৰো নিজৰ নিজৰ সৃষ্টি দুখৰ মকৰাজালত আমি আৱদ্ধ হৈ থাকোঁ। দুখ আমি নিজেহে সৃষ্টি কৰিও লওঁ। সেই নৰকৰ পৰা উদ্ধাৰ পাবলৈ জানো আমি কেতিয়াবা যত্ন কৰোঁ? নকৰোঁ? বিপৰীতে তাতে ধীৰে ধীৰে আকণ্ঠ নিমজ্জিত হৈ পৰোঁ।

“সুখী হোৱাঁ জীয়াই থকা দিনকেইটা, তাতে মৃত্যু এক দীঘল অপেক্ষা নহয়।” —স্কটলেণ্ডৰ ই এটা প্ৰচলিত বাক্য। বিশ্বৰ সুখ সংজ্ঞাৰ পৰিসংখ্যাৰ তালিকাত যিবিলাক জাতিৰ নাম অন্তৰ্ভুক্ত হৈছে তাত স্কটিছ সকলৰো নাম আছে। সুখ ক'ত থাকে, তাৰ অনুভৱ ব্যক্তি বিশেষে ভিন্ন। সুখৰ অনুসন্ধানত ব্ৰতী হৈ আত্মস্বাৰ্থক আগত ৰাখোতে এনেকুৱাও হয় যে, মৃত্যুৰ পাছত এজন লোকক সৎকাৰ কৰিবলৈও মানুহৰ অভাৱ হয়। আনহাতে, আনৰ সুখক অগ্ৰাধিকাৰ দিওঁতে নিজে সৰ্বস্বান্ত হোৱা লোকো পোৱা যায়।

সুখ আৰু দুখৰ আচলতে লগে লগে থাকে। আমি যি বিচাৰোঁ তাকে নাপালেই আমি দুখী হওঁ। কিন্তু আনে যি বিচাৰে তাকে নাপালে আমি দুখী হওঁ। কিন্তু আনে বিচৰা বস্তুটো পোৱা দেখিলে আমাৰ দুখ বেছি হয়। ঠিক সেইদৰে আমি সুখী হওঁ যেতিয়া আমি দেখোঁ যে, আনে বিচৰা মতে পোৱা নাই। এইবোৰ আচলতে আমাৰ মানৰ মনৰ কিছুমান সৰু সৰু মুহূৰ্তৰ কথা। এইবোৰ আমাৰ মনৰ বেমাৰ। কিন্তু নিজৰ মন শুদ্ধ কৰিলে আমি সুখ লাভ কৰিব পাৰোঁ। আমি যদি আনৰ দুখত দুখী আৰু আনৰ সুখত সুখী হ'বলৈ শিকো তেন্তে আমাৰ মন পবিত্ৰ আৰু শুদ্ধ হৈ পৰিব। গান্ধীৰ বৰ্ণিত তিনিটা বান্দৰৰ ছবিখন সদায় মনত ৰখা প্ৰয়োজন— বেয়া নোকোৱা, বেয়া নোচোৱা আৰু বেয়া নুশুনা।

সকলো ক্ষেত্ৰতে যিকোনো বস্তুৰেই অতিমাত্ৰা ক্ষতিকৰ। আজিৰ বস্তুবাদী সমাজত সুখৰ ধাৰণা এক বৃত্তৰ ভিতৰত আৱদ্ধ হৈ পৰিছে। সেইবাবে 'সুখ' আৰু 'আৰাম'ৰ মাজত থকা বৃহৎ পাৰ্থক্য আমি চকুৰে নমনা হৈ আহিছোঁ। আৰ্থিক উন্নতি, বিলাস বৈভৱৰ সতে 'সুখ'ক একাকাৰ কৰাৰ মানসিকতাই সুখ কাঢ়ি নিয়ে প্ৰতিজন মানুহৰ মনৰ পৰা, পৰিয়ালৰ পৰা। সমগ্ৰ বিশ্বৰ সমাজ বিজ্ঞানী আৰু মনোবিজ্ঞানীসকল এই কথাত একমত যে, বিশ্বত ক্ৰমশঃ অসুখী পৰিয়াল বাঢ়ি আহিছে। পৰিয়ালৰ মাজত থকা হতাশা, ঈৰ্ষা, প্ৰতিযোগিতাই ঘৰোৱা অশান্তি আগতকৈ বঢ়াইছে আৰু সমাজত ইয়াৰ সহজ আৰু স্বাভাৱিক প্ৰতিফলন ঘটিছে। অৰ্থ অৰ্জন জীৱনৰ চালিকা শক্তি হ'ব পাৰে, কিন্তু ই সুখৰ একমাত্ৰ নিৰ্ধাৰক নহয়। সুখৰ উৎস আমি সাধাৰণতে মন নকৰা আন বিষয়তহে নিহিত থাকে। জীৱনটোক সুখী কৰিবলৈ আমি আনৰ দোষ ক্ষমা কৰি তাক পহৰি যোৱাৰ অভ্যাস কৰিব লাগিব। সুখক যদি যোগাত্মক বিষয় বুলি ধৰোঁ, তেন্তে দুখ হ'ব ঋণাত্মক বিষয়।

মানুহে কেতিয়াও দুখ পাবলৈ নিবিচাৰে, সকলোৱে সুখৰ পাছতে দৌৰে। জীৱনলৈ অহা কষ্ট আৰু মনোকষ্ট পাই আমি ভাবিব পাৰিব লাগিব যে, সেয়া ভালৰ কাৰণেহে হৈছে। ই আমাক অধিক শক্তিশালী আৰু দৃঢ় কৰি তুলিব পাৰে। ইয়াৰ বিপৰীতে লাহ-বিলাহ, ঐশ্বৰ্য ভোগে মানুহক সোৰোপা আৰু দুৰ্বল কৰি তোলে। মনত ৰখা দৰকাৰ যে, দৰিদ্ৰৰ মাজতহে ভগৱান থাকে, লাহ-বিলাহৰ মাজত নহয়। সেয়ে কোৱা হয় দৰিদ্ৰ সাক্ষাৎ নাৰায়ণ। সুখ আৰু দুখ হৈছে এটা মুদ্ৰাৰ দুটা পিঠি।

প্ৰকৃত কথা হ'ল সুখ আছে কাৰণেহে দুখ আছে, দুখ আছে বাবেহে সুখৰ অস্তিত্ব আছে। যেনেদৰে আন্ধাৰ আছে পোহৰ আছে, সেইদৰে সুখৰ বাবেহে দুখ আছে। আন্ধাৰ নথকা হ'লে পোহৰৰ জানো মহত্ব থাকিলে হয়? সেয়ে সুখ উপলব্ধি কৰিবলৈ হ'লে দুখ অনুভৱ কৰাটো মানুহৰ কাৰণে অৱশ্যেকীয় কথা। সুখ অনুভৱ কৰিবলৈ প্ৰয়োজন এটা সুস্থ মনৰ। সুখৰ বাবে ইয়াতকৈ বেছি একো নালাগে।

কোনো প্ৰতিযোগীয়েই কেতিয়াবাও সদায় সুখী হ'ব নোৱাৰে। সৰ্বদা জয় কাৰো পক্ষেই সম্ভৱ নহয়, আকৌ জয়ৰ আনন্দও স্থায়ী নহয়। ধন আৰু যশৰ প্ৰাৰ্থীসকলে সেয়া হেৰুওৱাৰ ভয়ত সৰ্বদা সাৱধান হৈ থাকিব। জীৱন যাপন কৰিবলৈ যদি বেছি সময় নিজৰ প্ৰতি মনোযোগী হৈ থাকিবা লগা হয় তেন্তে উপভোগৰ বাবে সময়েই বা ক'ত? আমাৰ জীৱনৰ সময়, ক্ষণ লাহে লাহে বাগৰি যায়। কেতিয়াবা আনন্দ অথবা আৰামকে আমি 'সুখ' বুলি ভাবো, কেতিয়াবা কাৰোবাক পৰাস্ত কৰাকে 'সুখ' বুলি ভাবোঁ, কেতিয়াবা আকৌ নিজৰ সফলতা বা উন্নতিকে আমি 'সুখ' বুলি ভাবোঁ। তেন্তে এই সকলোবোৰ পোৱাজনো কিয় আৰু কিহৰ সন্ধানত থাকে? কিয় তেনেজন মানুহো সন্তুষ্ট হ'ব নোৱাৰে? কিয় তেনেজন মানুহো সন্তুষ্ট হ'ব নোৱাৰে কিহৰ বাসনাত যশ-ঐশ্বৰ্য পোৱাজনেও হাবাথুৰি খায়?

লুই উইন্টাৰ মেয়াৰৰ এটি প্ৰাৰ্থনালৈ মনত পৰিছে যিটো মই প্ৰায়েই হৃদয়ংগম কৰোঁ। তেওঁ কৈছে— “হে ঈশ্বৰ, আমি জানো যে এই জীৱনটোক লৈ আমি কি কৰোঁ, সেই কথা নিজেই নাজানো। আমাৰ মহত্তম কল্পনাৰ যিখন জগত বিস্ময়েৰে জ্যোতিষ্মান আৰু সৌন্দৰ্যৰে মণ্ডিত সেই জগতখনৰ প্ৰতি মোৰ চকু মুকলি কৰি দিয়া আৰু একে সময়তে চাই থাকিবলৈ দিয়া পৃথিৱীৰ সকলো আৱৰ্জনা, চাই থাকিবলৈ দিয়া সেই পূতিগন্ধ নৰকত জন্মগ্ৰহণ কৰা সকলো প্ৰাণী লোকক। মধুৰ সংগীতৰ প্ৰতি মোৰ চকু মুকলি কৰি দিয়া, লগতে মোৰ কাণদুখনো বসন্তৰ আগমণ ঘোষণা কৰা ঢোলৰ শব্দৰ আৰু বাঁহীৰ সুৰ শুনি যেন মই আনন্দত বিহ্বল হৈ পৰোঁ। কিন্তু মোক কেতিয়াও পাহৰিবলৈ নিদিবা সেই নৰকতুল্য বস্তিত বসবাস কৰা মানুহবোৰৰ কৰুণ বিননি। মোক এনে কঠিন আৰু অটল অহংকাৰ দিয়া যাৰ জোৰত মই সকলো আপোচ আৰু পাল মৰা কামৰ পৰা নিজকে মুক্ত কৰিব পাৰোঁ। অৱশেষত যেতিয়া জয়লাভ কৰিব পাৰিম তেতিয়া যেন হৈ থাকিব পাৰোঁ এক অতৃপ্ত মনৰ গৰাকী।” *(সহায় লৈ)*

---

## অসমীয়া ভাষা *(৬ পৃষ্ঠাৰ পৰা)*

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া ভাষা *“উজ্জ্বল-সুজ্জ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হৈ জগতসভালৈ যাব”* বুলি দেখা সপোনে বাস্তৱত ৰূপ পাব লাগে।

জ্ঞানপীঠ বঁটা লাভ কৰিছে ১৯৭৯ চনত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই, ২০০০ চনত মামণি ৰয়ছম গোস্বামীয়ে আৰু ২০২০ চনত কবি নীলমণি ফুকনদেৱে।

বহুতো নামজ্বলা সাহিত্যিকে ভাষাৰ এই বৰগছজোপাত সাৰ-পানী যোগাই টনকিয়াল কৰি তুলিছে। ড° ভৱেন্দ্ৰ নাথ শইকীয়াদেৱ, ড০ লক্ষ্মীনন্দন বৰাদেৱ, সৌৰভ কুমাৰ চলিহাদেৱ (সুৰেন্দ্ৰ নাথ মেধি), ৰেৱতীমোহন দত্ত চৌধুৰী (শীলভদ্ৰ) আদি বিজ্ঞানৰ লোক হৈও সাহিত্যৰ পথাৰখনত অবিৰত চহ কৰি আমাক বহুতো ফচল দি থৈ গ'ল। শ্ৰদ্ধাৰ চৈয়দ আব্দুল মালিকদেৱ, ড° নগেন শইকীয়াদেৱ আদিয়ে অসমীয়া ভাষাক কিমান যে সমৃদ্ধ কৰিছে তাৰ তুলনা নাই।

# বৰ্তমান সমাজত নাৰীৰ প্ৰাধান্য

**দানিয়েল ওৰাং,** *স্নাতক ষষ্ঠ যাণ্মাসিক*

বৰ্তমান সমাজত নাৰীৰ প্ৰাধান্যতা মন কৰিবলগীয়া। বৰ্তমান সমাজত নাৰীয়ে নিজকে সৰ্বাঙ্গীন বিকাশত যথেষ্ট গুৰুত্ব আৰোপ কৰা দেখা যায়। বৰ্তমান সমাজ ব্যৱস্থাত পুৰুষতকৈ নাৰী কোনো গুণে কম হোৱা দেখা নাযায়। আমাৰ পৃথিৱীৰ চাৰিওফালে চকু ফুৰালে দেখা পাওঁ যে বৰ্তমান পুৰুষতকৈ মহিলা বহু ক্ষেত্ৰত আগ বাঢ়ি যাব ধৰিছে। শিক্ষা দীক্ষা, অভিনয়, কলা-সংস্কৃতি, বিজ্ঞান প্ৰযুক্তি, অৰ্থনীতি, ব্যৱসায় বাণিজ্য তথা উদ্যোগিক আদি সকলো দিশত নাৰীয়ে যথেষ্ট আগবাঢ়ি যাব ধৰিছে, নাৰীক কেতিয়াও দুৰ্বল মনৰ বুলি ধাৰণা লোৱা উচিত নহয়। বৰ্তমান নাৰী সমাজে নিজকে জাতীয়, ৰাষ্ট্ৰীয় আনকি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰাচীন কালত তথা তাহানিৰ যুগত এগৰাকী মহিলাই কেৱল নিজৰ ঘৰখনৰ কাম বন কৰাতেই সীমাবদ্ধ আছিল, সন্তান জন্ম দি লালন পালন কৰাটোৱেই বহুত ডাঙৰ কাম বুলি ভাবিছিল। ঘৰৰ ভিতৰত আবদ্ধ কৰি থোৱা নাৰীয়ে বাহিৰৰ সমাজখনৰ কথা একোৱেই জানিব পৰা নাছিল। কিন্তু এতিয়া সময় সলনি হ'ল, সময়ৰ লগে লগে মানুহৰ ধ্যান ধাৰণা, মানসিক চিন্তা জ্ঞানৰো বিকাশ হ'বলৈ ধৰিলে আৰু আজি এগৰাকী নাৰীয়ে বিশ্বদৰবাৰত নিজকে চিনাকি দিবলৈ সক্ষম হৈছে।

আমাৰ ভাৰতবৰ্ষ এখন পুৰুষতান্ত্ৰিক দেশ। এগৰাকী নাৰীয়ে বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিলেও বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গ'লেও আমাৰ সমাজখনত কিন্তু বৰ্তমানেও বহু নাৰী এতিয়াও পিছপৰি আছে। বৰ্তমান বিজ্ঞানৰ যুগতো ডাইনী হত্যাৰ দৰে নৃশংস ঘটনা শুনিবলৈ পোৱা যায়। বৰ্তমানেও এনে কিছুমান পিছ পৰা গাওঁ আছে যিবোৰত নাৰীক যথেষ্ট নিৰ্যাতন চলোৱা হয়। শাৰীৰিক আৰু মানসিক সকলো ফালৰ পৰাই দুৰ্বল কৰি তোলা দেখিবলৈ পোৱা যায়। সমাজত নাৰীক সকলো অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখিব বিচাৰে। জীৱনৰ প্ৰতিটো খোজতে এগৰাকী নাৰীয়ে যথেষ্ট বাধাৰ সন্মুখীন হ'বলগীয়া হয়। কোনো ক্ষেত্ৰত নাৰীক বেছি অগ্ৰাধিকাৰ দিয়া নহয়। বিয়াৰ পিছত বহু পুৰুষে নাৰী গৰাকীক নিজৰ অধীনত ৰাখি নিজৰ মতে সকলো কাম কৰাব বিচাৰে। আমাৰ সমাজত বৰ্তমানেও প্ৰত্যক্ষ কৰো যে ল'ৰা ছোৱালীৰ মাজত ভেদ ভাব স্পষ্ট ৰূপত প্ৰতিফলিত হয়। সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ ঘৰত পুত্ৰ সন্তানে যিমানখিনি সুবিধা পায়, সিমানখিনি সা সুবিধা এগৰাকী কন্যাৰ ক্ষেত্ৰত দিয়া দেখা নাযায়। পুত্ৰৰ স্বাৰ্থৰ বাবে মাক দেউতাকে সকলো ত্যাগ কৰিবলৈ সাজু থাকে। পুত্ৰৰ সকলো মনোবাঞ্ছা পূৰ কৰে। নাখায় হ'লেও পুত্ৰক দিব বিচাৰে, পঢ়াই শুনাই ডাঙৰ মানুহ কৰিব বিচাৰে। কিন্তু ছোৱালীৰ ক্ষেত্ৰত তাৰ সম্পূৰ্ণ বিপৰীত হোৱা দেখা যায়। কিয় ছোৱালীৰ ক্ষেত্ৰত এনে হয়? ছোৱালী বিলাক ইমানেই দুৰ্বল নেকি? সমাজত ছোৱালীক কিয় ইমান নিচ চকুৰে চোৱা হয়। বহু ক্ষেত্ৰত দেখিবলৈ পাওঁ নিজৰ মাক দেউতাকে ছোৱালী সন্তানক কয় পঢ়ি শুনি কি কৰিবি, যিমানখিনি পঢ়িলেও দুদিন পাছত এখন ঘৰলৈ বিয়া হৈ ওলাই যাবি ইত্যাদি। কিন্তু ল'ৰাৰ ক্ষেত্ৰত সেই ধাৰণা বেলেগ হোৱা দেখা যায়। সমাজত আমি দেখিবলৈ পাওঁ বহু পুত্ৰই পঢ়ি শুনি যেতিয়া ডাঙৰ মানুহ হৈ ঘৰৰ পৰা বহু দূৰলৈ গুচি যায়, সেই পুত্ৰই এদিন নিজৰ পিতৃ মাতৃয়ে তেওঁৰ বাবে কৰা স্বাৰ্থৰ কথা পাহৰি যায় মাক দেউতাকক নিজৰ ভাল বেয়াৰ খবৰ লবলৈ। বহু ল'ৰাই মাক দেউতাকক নিজৰ লগত ৰাখিবলৈ মন নকৰে। ফলত বৃদ্ধাশ্ৰমত থোৱাৰ কথা চিন্তা কৰে আৰু এদিন সেই পিতৃ মাতৃয়ে চকুপানী টুকিব লগীয়া হয়। শেষত বিয়া হৈ ওলাই যোৱা কন্যা সন্তানে আহি নিজৰ বৃদ্ধ পিতৃ মাতৃক চাব লগা হয়।

আমাৰ সমাজত এনেকুৱা জ্বলন্ত উদাহৰণ অনেক আছে। চকুত প্ৰচাৰতে যিমানে এনেকুৱা হ'লেও আমাৰ মানুহে মনবোৰ উন্নত কৰিবলৈ শিকা নাই। এইটোৱেই অতিকৈ দুখৰ বিষয়। সমাজৰ শিক্ষিত মানুহৰ ঘৰতে কেতিয়াবা এনে কিছুমান কথা শুনিবলৈ পাওঁ।


ভাৰতবৰ্ষৰ নাৰী সমাজ শিক্ষা দীক্ষাত যথেষ্ট পিছ পৰি ৰ'ল। ভাৰতীয় নাৰীৰ প্ৰকৃত সত্ত্বাৰ মুক্ত পথত আজিও বাট বুলিব পৰা নাই। পুৰুষ প্ৰধান সমাজৰ অন্ধবিশ্বাসৰ ধ্যান ধাৰণাই নাৰীৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰি ৰাখিছে। ভাৰতীয় মহাব্যাধি যৌতুক প্ৰথাৰ কবলত এতিয়াও বহুতো নৱ প্ৰজন্মৰ যুৱতীৰ জীৱন ধ্বংস হৈ পৰিছে। দুখৰ বিষয় এই যে সকলোবোৰ অন্যায়, অত্যাচাৰ আদিত বহু ক্ষেত্ৰত কোনোবা নাৰীয়ে গুৰি ধৰি পুৰুষক সহায় কৰি নাৰীক ধ্বংস কৰি যাব ধৰিছে। এগৰাকী নাৰী ঘৰৰ পৰা অকলে ওলাই যাব নোৱাৰে ৰাতি বা বেছি সময় ধৰি বাহিৰত থকা দেখিলে মানুহৰ মুখত অনেক কথা শুনিবলৈ পোৱা যায়। তদুপৰি নাৰী এগৰাকী ঘৰৰ পৰা ওলাই যোৱাৰ পাছত সুৰক্ষিত হৈ নাথাকে। নাৰী গৰাকীয়ে যদি নিজক বচাই ৰাখিব নোৱাৰে তেন্তে নিৰ্যাতনৰ দৰে জঘন্য কাণ্ডৰ বলি হ'ব লগীয়া হয়। ৰাজপথত মুক্ত বিচৰণ কৰিব নোৱাৰি কিছুমান নৰপিশাচ দানৱে অশ্লীল ব্যৱহাৰ কৰা ইত্যাদি ধৰণৰ ঘটনা আমি নিজ চকুৰে প্ৰত্যক্ষ কৰোঁ। ইমান নিষ্ঠুৰ এই সমাজ, সমাজত নাৰী কেতিয়া সুৰক্ষিত হ'ব?

মহাভাৰতৰ ঘটনাক্ৰম অনুসৰি দ্ৰৌপদীৰ জীৱন যাতনাত যি অত্যাচাৰ কৰা হৈছিল এই সমগ্ৰ ঘটনাৰ দৰ্শক হৈ থাকিল আত্মীয় স্বজন, ৰাজ পৰিষদ আৰু শয্যা সংগী পাঁচজনকৈ পতি পৰমেশ্বৰ। নীতি - নৈতিকতাৰ দোহাই দি এগৰাকী নাৰীৰ ওপৰত অত্যাচাৰ চলাবলৈ অনুমতি প্ৰদান কৰি মহাভাৰতত পুৰুষতন্ত্ৰৰ অধিকাৰ সাব্যস্ত কৰা এই কাহিনী কেৱল পুৰাকথাৰ চমৎকাৰ নহয়। অতিক্ৰান্ত সময় সভ্যতাৰো এটুকুৰা ঘাঁ হৈ ৰ'ল। কিয়নো পৰিৱেশ পৰিস্থিতিৰ সলনি হ'লেও নাৰীত্বৰ অৱমাননা চলিয়ে থাকিল যুগৰ পৰা যুগলৈ। অতীতৰ পৰা সাম্প্ৰতিকলৈ। এই বোধ চিন্তাই যুগ যুগ ধৰি সমাজত চলি আহিছে।

গতিকে বৰ্তমান সমাজত নাৰীয়ে উচ্চ স্থান পাবলৈ। বিভিন্ন দিশত আগুৱাই যাবলৈ হ'লে প্ৰথমে আমি আমাৰ মনৰ ধাৰণা সলনি কৰিব লাগিব। আমাৰ মনত সোমাই থকা অন্ধবিশ্বাস, কু-সংস্কাৰ, হিংসা, নাৰীৰ প্ৰতি থকা ধ্যান ধাৰণা সলনি কৰিব লাগিব। সকলোৱে একত্ৰিত হৈ নাৰী শক্তিক জাগ্ৰত কৰা উচিত। সমাজত নাৰীক শিক্ষা দীক্ষা, কলা-সংস্কৃতি সকলো দিশত আগবঢ়াই নিবলৈ আমি চেষ্টা কৰিব লাগিব। সকলোৱে একত্ৰিত হৈ নাৰী শক্তিক জাগ্ৰত কৰা উচিত। সমাজত নাৰীক শিক্ষা দীক্ষা, কলা-সংস্কৃতি সকলো দিশত আগবঢ়াই দিবলৈ আমি চেষ্টা কৰিব লাগিব। বহু ক্ষেত্ৰত নাৰী সমাজ আগবাঢ়ি গৈছে আৰু বহু দিশত বহু নাৰী এতিয়াও পিছ পৰি জনগ্ৰসৰ হৈয়ে আছে। গতিকে নাৰীক আগবঢ়াই নিবলৈ সমাজৰ প্ৰতিজন নাগৰিকৰ প্ৰতি থকা নিম্নমানৰ ধ্যান ধাৰণাবোৰ সলনি কৰি নাৰী সমাজ ব্যৱস্থাক উন্নত দিশত আগবঢ়াই নিবলৈ সমাজৰ প্ৰতিজন ব্যক্তিয়ে একতাৰে আগবাঢ়ি অহা উচিত।

# ড° অৰবিন্দ ৰাজখোৱা সম্পাদিত 'শিক্ষক' ঃ এটি সংক্ষিপ্ত আলোচনা

**মানস গগৈ** , *স্নাতক চতুৰ্থ ষাণ্মাসিক*




ড° অৰবিন্দ ৰাজখোৱা সম্পাদিত 'শিক্ষক' নামৰ এই গ্ৰন্থখনৰ মূল উদ্দেশ্য হৈছে এজন শিক্ষক প্ৰকৃতাৰ্থত কেনে হোৱা উচিত সেয়া বিচাৰি উলিওৱাই এই গ্ৰন্থ প্ৰণয়নৰ মূল উদ্দেশ্য। প্ৰবীণ-নবীন উভয়চাম লেখকৰে লেখা সন্নিবিষ্ট হোৱা এই গ্ৰন্থৰ পাতনি অংশত গ্ৰন্থখন প্ৰণয়নৰ মূল উদ্দেশ্য সন্নিবিষ্ট হৈছে। পাতনিৰ আৰম্ভণি অংশত সৌৰভ কুমাৰ চলিহাৰ প্ৰবন্ধ 'দ্ৰোণ আৰু গ্যেটে'ৰ প্ৰসংগ উত্থাপন কৰি গ্ৰন্থখনৰ সম্পাদকে দুটা দিশ পোহৰলৈ আনিছে— এটা প্ৰতিভাক প্ৰকৃত মূল্যায়ণ কৰিব জনা পশ্চিমৰ শিক্ষক আৰু আনটো হ'ল উপমন্যু আৰু একলব্যৰ জীৱন একপ্ৰকাৰ ৰুদ্ধ কৰি দিয়া ভাৰতীয় গুৰুৰ অনুকম্পাহীন আৰু নিৰ্লজ্জ আচৰণ। সম্প্ৰতি অসমৰ শিক্ষা জগতত শিক্ষক হিচাপে নিয়োজিতসকলৰো এচাম অযোগ্য আৰু আন এচাম 'ক'লা ডাৱৰৰ মাজেৰে সৰকি অহা এচেৰেঙা ৰ'দৰ দৰে'।

এই গ্ৰন্থখনিৰ জৰিয়তে শিক্ষক আৰু শিক্ষকতাক প্ৰকৃত পথৰ পৰা বিচ্যুত কৰা কেইটামান গুৰুত্বপূৰ্ণ সমস্যাৰ প্ৰতি সম্পাদকে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছে। 'শিক্ষক' গ্ৰন্থখনৰ আগকথা শিতানটোত তিনিগৰাকী জ্যেষ্ঠ লেখকৰ লেখা সন্নিবিষ্ট হৈছে। সেইকেইজন হৈছে ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু বসন্ত কুমাৰ দাস। গ্ৰন্থখনত মুঠ ১৮টা প্ৰবন্ধ আছে। 'বিশেষ সংযোজন' শিতানেৰে অসমৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিয়ে শিক্ষক আৰু শিক্ষকতা সম্পৰ্কে ৰচনা কৰা নটা প্ৰবন্ধ সন্নিবিষ্ট হৈছে। গ্ৰন্থখনৰ সৰ্বমুঠ প্ৰবন্ধ সংখ্যা ২৭টা।

ছাত্ৰৰ জীৱন গঢ়াত, ছাত্ৰক প্ৰকৃত পথৰ সন্ধান দিয়াত শিক্ষকৰ ভূমিকা কেনে হ'ব পাৰে তাৰ কেইটামান বিশ্ববিখ্যাত ব্যক্তিজড়িত ঘটনাৰ কথা 'আগকথা' অংশত আগবঢ়াইছে ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে। শিক্ষক আৰু শিক্ষা ব্যৱস্থাৰ এক আভ্যন্তৰীণ সংস্কাৰৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰি অনুৰাধা শৰ্মা পূজাৰীয়ে মত প্ৰকাশ কৰিছে যে শিক্ষক এজনৰ শৃংখলাবদ্ধতা, আদৰ্শ কেৱল বিদ্যালয়ৰ বাবে নহয়, বৰঞ্চ সমগ্ৰ সমাজখনৰ বাবে হ'ব লাগে।

তৰুণ লেখকসকলে তেওঁলোকৰ প্ৰবন্ধসমূহত শিক্ষক আৰু শিক্ষকতা উভয়কে সমালোচনা কৰিছে। শিক্ষকসকলৰ ভূমিকাই তেওঁলোকক বহুপৰিমাণে হতাশগ্ৰস্ত কৰিও তুলিছে। শিক্ষকতাৰ মহান বৃত্তিক তৰুণ প্ৰজন্মই অনুভৱ-উপলব্ধিৰ মাজতহে যেন বিচাৰি পাইছে। হ'লেও কোনো কোনোৱে স্বীকাৰ কৰিছে যে সমাজত এতিয়াও এচাম শিক্ষক আছে যি ছাত্ৰসকলৰ প্ৰেৰণাৰ উৎস হ'বলৈ সক্ষম।

ছাত্ৰ-ছাত্ৰী হিচাপে সকলোৱে শিক্ষকৰ পৰা পোনতে আশা কৰা বস্তুটোৱেই হৈছে উৎসাহ, আশাভৰা অনুপ্ৰেৰণা। পাঠ্যক্ৰমৰ লগতে যুগোপযোগী জ্ঞান প্ৰতিজন শিক্ষকৰে অলংকাৰ হোৱা উচিত। লগতে শিক্ষকসকলৰ ইতিকিং, তুচ্ছ-তাচ্ছিল্য ভৰা দমনমূলক নীতিক প্ৰায়কেইজন লেখকে সমালোচনা কৰিছে। বিষয়বস্তুৰ সৰল উপস্থাপন, শ্ৰেণীকোঠাত মত-বিনিময়েৰে সুস্থ শৈক্ষিক বাতাবৰণ গঢ়ি তোলাত গুৰুত্ব প্ৰদান কৰা, বাস্তৱমুখী, সৎ আৰু আদৰ্শবান তথা জাতি-সংস্কৃতিৰ প্ৰতি দায়বদ্ধ প্ৰতিজন শিক্ষকেই যে তৰুণ চাম লেখকৰ আকাংক্ষিত শিক্ষক সেয়া তেওঁলোকৰ লেখাসমূহৰ মাজেৰে প্ৰকাশিত হৈছে।

গ্ৰন্থখনিত ভাস্কৰ ভূঞাদেৱে তেওঁৰ 'আকাংক্ষাৰ শিক্ষক' প্ৰবন্ধত কৈছে যে, বৌদ্ধিকভাৱে সমাজ আৰু সংস্কৃতিক নেতৃত্ব দিব লাগিব শিক্ষকসকলে। সেয়ে সমাজৰ সৈতে শিক্ষাৰ্থীসকলৰ এক আত্মিক পৰিৱেশ গঢ়ি তোলাত, ছিলেবাচভিত্তিক শিক্ষাৰ উপৰিও শিক্ষাৰ লগত সম্পৰ্কিত অন্যান্য দিশৰ জ্ঞান প্ৰদান কৰাত, নিজৰ প্ৰতিভাক ছাত্ৰসকলৰ বাবে মুকলি কৰি দিয়াত আৰু এই সকলো দিশতে উপযুক্ত নেতৃত্ব দিয়াত শিক্ষকসকল সমৰ্থবান হ'ব লাগে। আদৰ্শ আৰু নিজা ব্যক্তি জীৱনৰ সামঞ্জস্য ৰাখিব নোৱাৰা শিক্ষকক তেওঁ চোকা সমালোচনা কৰিছে। এই সম্পৰ্কত তেওঁ কৈছে— *'শিক্ষক জীৱনৰ প্ৰায়ভাগ সময় বিজ্ঞানৰ তথ্য আৰু প্ৰমাণৰ কথাকে কৈ থকা শিক্ষকজনৰ হাতৰ আঙুলিত চাৰি, পাঁচটাকৈ যেতিয়া গ্ৰহৰত্ন দেখোঁ...বিশ্বকমাৰ্ৰ পূজাত যেতিয়া হৰিনামৰ ধ্বনিৰে কলেজৰ পৰিৱেশ বিনষ্ট কৰি তোলে, তেতিয়াই তেনে শিক্ষকৰ প্ৰতি মনত ক্ষোভৰ সৃষ্টি হয়।'*

পৰীক্ষাকেন্দ্ৰিক মানসিকতাই সাম্প্ৰতিক সময়ত শিক্ষক-ছাত্ৰৰ সম্পৰ্কক কেৱল শ্ৰেণীকোঠাত সীমাবদ্ধ কৰি ৰাখিছে। ছাত্ৰ-ছাত্ৰীৰ মনক বিষয়ৰ প্ৰতি অনুসন্ধিৎসু কৰি তোলাত আজিৰ শিক্ষকসমাজ সম্পূৰ্ণ ব্যৰ্থ হৈ পৰিছে বুলি মত প্ৰকাশ কৰি 'শিক্ষক বন্ধু' প্ৰবন্ধত কৌশিক বৰাই কৈছে যে— *'আমাৰ শিক্ষকসকল সৃজনশীল (Creative) হোৱাৰ প্ৰয়োজন যাতে ছাত্ৰ-ছাত্ৰীৰ মানসিকতা বুজি সেই অনুসৰি নিজ শিক্ষা পদ্ধতিবোৰ নতুনকৈ সৃষ্টি কৰিবলৈ সক্ষম হয়।'*

'মই কেনেকুৱা শিক্ষক বিচাৰোঁ' প্ৰবন্ধত জ্যোতিষ্মান দাসদেৱে কেইটামান তত্ত্বৰ দিশলৈ আঙুলিয়াইছে। শিক্ষক-ছাত্ৰৰ মাজত এক নিৰ্দিষ্ট দূৰত্বৰ পোষকতাৰে সক্ৰিয় সহযোগিতাত পৰিৱেশ সৃষ্টিৰ দক্ষতা আৰু কঠিন বিষয় এটাকো সহজবোধ্য কৰি তুলিব পৰা শিক্ষক ব্যক্তিত্বৰ তেওঁ পোষকতা কৰিছে। লগতে স্পষ্ট, শুদ্ধ উচ্চাৰণ, তীব্ৰ কণ্ঠস্বৰ, মাৰ্জিত পোচাক আৰু দেহভংগীৰ ক্ষেত্ৰত সচেতনতাৰ লগতে নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতা এজন আদৰ্শ শিক্ষকৰ থাকিবলগা গুণ বুলি তেওঁ কৈছে।

'শিক্ষকতা সম্পৰ্কে মোৰ ক'বলগীয়া কথাখিনি' শীৰ্ষক প্ৰবন্ধত সমুজ্জল শইকীয়াদেৱে শিক্ষকৰ কিছুমান নেতিবাচক দিশ সম্পৰ্কে আলোচনা আগবঢ়াইছে। শিক্ষক-ছাত্ৰৰ সম্পৰ্কত শিক্ষানুষ্ঠানৰ ভিতৰ আৰু বাহিৰ সকলোতে একপ্ৰকাৰৰ সহযোগিতাৰ পোষকতা কৰা শইকীয়াদেৱে শিক্ষকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আচৰণো যে শিক্ষকসকলে বিচৰাধৰণে প্ৰিয়পাত্ৰ হ'ব লাগে সেইকথা উল্লেখ কৰিছে। শিক্ষকৰ নেতিবাচক দিশসমূহ সম্পৰ্কে তেওঁ কৰা আলোচনাত ঠাই পোৱা মুখ্য দিশসমূহ হৈছে—দায়িত্বহীনতা, প্ৰচণ্ড ইগ', শিক্ষাৰ্থীৰ মানসিক অৱস্থাৰ প্ৰতি চৰম আওকাণ, আত্মমূল্যায়নৰ অভাৱ, পাশৱিক মনৰ পৰিচয়, অসহযোগিতা, অস্বাভাৱিক আচৰণ, চক্ৰান্ত, পৰচৰ্চা আৰু পক্ষপাতিত্ব আৰু বিলাসিতা আৰু সামাজিক দায়িত্বহীনতা।

'বিশেষ সংযোজন' শিতানত সন্নিবিষ্ট 'শিক্ষক আৰু অনুশাসন' প্ৰবন্ধত ড° নগেন শইকীয়া ছাৰে সাম্প্ৰতিক কেতবোৰ ঘটনাৰ প্ৰতি দৃষ্টিনিক্ষেপ কৰিছে। শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে চিঠি লিখি প্ৰশাসনৰ (পুলিচ) মুখামুখি হ'বলগা হোৱা অভিজ্ঞতাৰ বৰ্ণনাৰে, পূৰ্বৰ শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিক্ষকক কৰা ব্যৱহাৰৰ প্ৰসংগৰে তেওঁ ক'ব খুজিছে যে — আইনগত কঠোৰ পদক্ষেপ লোৱা উচিত সেইসকল শিক্ষকৰ বাবে,

যিসকলে কৰ্তব্যত গাফিলতি কৰে। কিন্তু সেই পদক্ষেপ ৰাজহুৱা অপমান নিশ্চয় হ'ব নালাগে। কাৰণ শিক্ষকসকল সকলোৰে। শ্ৰদ্ধাৰ পাত্ৰ হোৱা উচিত আৰু তেনে হ'লেহে শিকাৰুসকলৰ বাবেও তেওঁ শ্ৰদ্ধাৰ হৈ থাকিব। অযোগ্যজনক বহিষ্কাৰ কৰিব পৰা নীতিৰ পোষকতা কৰি শইকীয় ছাৰে প্ৰশ্ন উত্থাপন কৰিছে যে "আমোলা, বিষয়া, শিক্ষকসকল যদি সংস্কৃত নহয়, ল'ৰা-ছোৱালী কেনেকৈ সংস্কৃত হ'ব? শিক্ষাই মানুহৰ চৰিত্ৰৰ সংশোধন কৰিব নোৱাৰিলে কিহে কৰিব? "

ড° দীনেশ চন্দ্ৰ গোস্বামীদেৱে তেওঁৰ বক্তব্যৰ স্বভাৱজাত ৰসময়তাৰে 'আদৰ্শ শিক্ষক' প্ৰবন্ধত কেইবাটাও দিশলৈ আঙুলিয়াইছে। সমান্তৰালভাৱে এচাম আদৰ্শ, ত্যাগী, নিষ্ঠাৱান শিক্ষকৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ স্পৃহা নিঃশেষ কৰিব পৰা এচাম শিক্ষকো আছে। এই প্ৰসংগৰ অৱতাৰণাৰে তেওঁ লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ স্কুলৰ অনুভৱ 'মোৰ জীৱন সোঁৱৰণ'ত যিদৰে বৰ্ণনা কৰিছিল তাৰ উল্লেখ কৰিছে। বেজবৰুৱাৰ বাবে স্কুল আছিল 'ভয়ৰ ভৱন'। এই সম্পৰ্কত শিক্ষকসকল বন্ধুভাৱাপন্ন আৰু মৰমিয়াল হোৱাৰ পোষকতা কৰি গোস্বামীদেৱে কৈছে যে তেনে কৰিলে লগতে নিজৰ সাধ্যৰ সীমা অনুধাৱনেৰে শিক্ষা দান কৰিলে তেনে শিক্ষাই ছাত্ৰক উৎসাহিত, অনুপ্ৰাণিত কৰে।

মানুহৰ মনৰ দৌৰ অতি তীব্ৰ। সেয়ে ক্লাছৰ সময়তো বিশেষ কিছু কথাই ছাত্ৰৰ মনোযোগ অকণমান হ'লেও কাঢ়ি নিব পাৰে। এইক্ষেত্ৰত সেয়া ছাত্ৰৰ অক্ষমণীয় অপৰাধ যে নহয় সেয়া উনুকিয়াই গোস্বামীদেৱে শিক্ষকৰ থাকিবলগীয়া সহানুভূতি আৰু মৰমিয়াল মনোভাৱ আৱশ্যকীয় বুলি কৈছে।

'অসমৰ শিক্ষা ব্যৱস্থাৰ নিমোৰ্হ বিশ্লেষণ' প্ৰবন্ধত ৰমেশ পাঠক দেৱে কেইটামান নতুন দিশলৈ দৃষ্টিপাত কৰিছে। প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু নৱম-দশম শ্ৰেণীলৈকে বিদ্যালয় চোৱা-চিতাৰ লগত জড়িত থকা বিদ্যালয় পৰিচালনা সমিতি, সমল, সমন্বয়ক, শিক্ষা বিষয়াকে ধৰি জিলা আৰু বিদ্যালয় পৰিদৰ্শক- এই সকলোবোৰেই যে এখন বিদ্যালয় অথবা সেই বিদ্যালয়ৰ শিক্ষকসকলৰ অকৰ্মণ্যতাৰ বাবে জগৰীয়া সেইকথা স্পষ্টভাৱে উল্লেখ কৰিছে। লগতে চৰকাৰী খণ্ডৰ শিক্ষা উন্নীতকৰণৰ বাবে তেওঁ কেইবাটাও উপায় সন্নিবিষ্ট কৰিছে।

হেমেন্দ্ৰ কুমাৰ গগৈদেৱৰ 'ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিৰে শিক্ষকৰ মূল্যায়ন' প্ৰবন্ধত শিক্ষকৰ প্ৰয়োজনীয় গুণসমূহৰ বিষয়ে আলোচনা আগবঢ়াইছে।

ড° পল্লৱী ডেকা বুজৰবৰুৱা বাইদেউৱে 'ছাত্ৰ-শিক্ষক সম্পৰ্কৰ অৱক্ষয় আৰু শৈক্ষিক পৰিৱেশৰ সংকট' শীৰ্ষক প্ৰবন্ধত কৈছে যে— "শিক্ষকসকল সততে ছাত্ৰ-ছাত্ৰীৰ 'ফ্ৰেণ্ড, ফিল'ছফাৰ আৰু গাইড' বুলিয়েই গৃহীত হৈ আহিছে পুৰুষানুক্ৰমে, কিন্তু সাম্প্ৰতিক সময়ত ছাত্ৰৰ সমালোচনাৰ দাপোণত প্ৰতিবিম্বিত হোৱা শিক্ষকগোষ্ঠীৰ ছবিখন কিন্তু বন্ধু-দ্ৰষ্টা অথবা পথ প্ৰদৰ্শকৰ মুঠেও নহয়।"

এই সম্পৰ্কত তেখেতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক উভয়ৰে ক্ষেত্ৰত থকা বিসংগতিসমূহ দূৰ কৰাৰ পোষকতা কৰিছে। একেজন শিক্ষকৰ পাঠদানত অনুপস্থিতি, ছাত্ৰৰ দুৰ্বলতাক ইতিকিং কৰাৰ মানসিকতা, সকলোকে সমভাৱাপন্ন হৈ গ্ৰহণ কৰিব নোৱাৰাৰ মানসিকতা আৰু ঈৰ্ষাতুৰ স্বভাৱক সমালোচনা কৰিছে। শিক্ষকৰ এনেবোৰ স্বভাৱে ছাত্ৰ-ছাত্ৰীক ৰ'ব'ট সদৃশ কৰি তুলিছে বুলি তেওঁ মত প্ৰকাশ কৰিছে। লগতে কৈছে যে আলোচনাৰ মাধ্যমেৰে এই সমস্যাবোৰ সমাধানৰ যথেষ্ট অৱকাশ আছে।

'উচ্চশিক্ষাত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শিক্ষকৰ মূল্যায়ন' শীৰ্ষক প্ৰবন্ধত ড° অৰবিন্দ ৰাজখোৱাদেৱে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঠনত শিক্ষকে কেনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে সেয়া কেইজনমান বিশ্ব বিখ্যাত ব্যক্তিৰ উদাহৰণেৰে দাঙি ধৰিছে। শংকৰদেৱ, আনন্দৰাম ঢেকীয়াল ফুকন, বাণীকান্ত কাকতি, আইজাক এচিমভ, লক্ষ্মীনাথ বেজবৰুৱা— এইকেইগৰাকী ব্যক্তিৰ জীৱনত শিক্ষকৰ বিচিত্ৰ প্ৰভাৱ সম্পৰ্কে উল্লেখ কৰি তেওঁ কৈছে যে ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিত ভাল শিক্ষক হ'বৰ বাবে শিক্ষকজন নিয়মানুৱৰ্তিতা, সহযোগী মনোভাৱাপন্ন, দায়বদ্ধ, বিষয়গত আৰু বিষয় বৰ্হিভূত জ্ঞানসম্পন্ন আদি গুণৰ অধিকাৰী হ'ব লাগে।

পৰৱৰ্তী 'শিক্ষকসকল সমাজৰ শ্ৰদ্ধেয় ব্যক্তি হৈ থাকিবনে?' প্ৰবন্ধত ৰাজখোৱাদেৱে কেইবাটাও স্পৰ্শকাতৰ দিশলৈ দৃষ্টি নিক্ষেপ কৰিছে। শিক্ষকসকলৰ দায়িত্ববোধহীন মনোভাৱ, পৰহিংসা, নিন্দা, ক্ষমাহীন মনোবৃত্তি, সুৰাপায়ী, ধূম্ৰপায়ী স্বভাৱ, অৰ্থ-কেলেংকাৰী, যৌন-কেলেংকাৰী —এইবোৰ সম্প্ৰতি তেনেই স্বাভাৱিক লক্ষণ হৈ পৰা দেখা যায়। এইক্ষেত্ৰত এই কু-স্বভাৱসমূহৰ উপস্থিতিৰে সমৃদ্ধ শিক্ষকসকলৰ উপস্থিতিয়ে সমগ্ৰ শৈক্ষিক পৰিৱেশটোকে বিনষ্ট কৰিছে বুলি ৰাজখোৱাদেৱে মত প্ৰকাশ কৰিছে।

শেষত কওঁ যে, গ্ৰন্থখনৰ বিষয়বস্তু অত্যন্ত প্ৰাসংগিক। 'শিক্ষক' বৃত্তি যে একপ্ৰকাৰৰ জাতীয় দায়িত্বও এইকথা অনুধাৱন নকৰালৈকে আৰু মানুহ হিচাপে প্ৰতিজন শিক্ষক নিজৰ প্ৰতি সৎ নোহোৱালৈকে আলোচিত সমস্যাসমূহৰ সমাধান সহজসাধ্য নহয়। দুই এজন লেখকে আগবঢ়োৱা প্ৰশাসনৰ ভূমিকাৰ কথাও বিবেচনীয়। এইক্ষেত্ৰত নিঃসন্দেহে প্ৰবীণ লেখকসকলে উচ্চ চিন্তাধাৰা প্ৰকাশক দিশসমূহ আলোচনা কৰিছে। শেষত সম্পাদকৰ এষাৰ কথাকে দোহাৰিব খুজিছোঁ— *"জাতিৰ মেৰুদণ্ড নিৰ্মাণত শিক্ষকৰ বাদে আন কোনোৱে ভূমিকা ল'ব নোৱাৰে। অসমীয়া এনেয়েও বৰ সবল জাতি নহয়, তেনেস্থলত অসমৰ শিক্ষকসকল যদি জাতিৰ মেৰুদণ্ড সবল কৰিব পৰা কোনো কাম কৰাত অসমৰ্থ হৈ পৰে, ই হৈ পৰিব সমাজ জীৱনৰ বাবে আটাইতকৈ দুঃখবৰ।" (সহায় লৈ)*

# কৌতুক



পুলিচ ঃ আপোনাৰ স্বামী মৰিল কেনেকৈ?

মৃত ব্যক্তিৰ পত্নী ঃ নাজানো। খৰধৰকৈ ক'ৰবাৰ পৰা আহিল আৰু আহিয়েই ক'লে, সোনকালে খাবলৈ কিবা এটা দিয়া, পেটত এন্দুৰ নিগনি দৌৰি আছে। তেতিয়া মই এন্দুৰ মৰা দৰৱ খাবলৈ দিলোঁ। পেটৰ ভিতৰত দৌৰি থকা নিগনিকেইটা মৰক বুলি। পিছে কি জানো হ'ল, খাই উঠি আৰু এতিয়ালৈকে নুঠিলেই। কথা শুনি মূৰ ঘূৰাই পুলিচজন মাটিত বাগৰি পৰিল।

পল্লৱ ঃ ঐ ৰাম, মাটিত কি বিচাৰি আছ?

ৰাম ঃ নহয় মানে দেউতাই কৈছিল যে, তেওঁৰ নামটো মাটিত মিলাই দিলোঁ। তাকে বিচাৰি আছোঁ।

*ৰিয়া আৰু লিজা দুয়োজনী একে শ্ৰেণীতে পঢ়ে। পৰীক্ষাত চাউলৰ বিষয়ে ৰচনা লিখিবলৈ আহিল। ৰিয়াই পাছে ধানৰ বিষয়েহে ৰচনা মুখস্থ কৰি গৈছিল। কি কৰিব ভাবি নাপায় তাই ধানৰ ৰচনাখনকে লিখি থৈ আহিল। বাটত লিজাই সুধিলে —*

লিজা ঃ তই পিছে চাউলৰ ৰচনাখন লিখিলি নে নাই?

ৰিয়া ঃ নাই মই ধানৰ বিষয়েহে পঢ়ি আহিছিলোঁ। তাকে লিখিলোঁ।

লিজা ঃ হ'ব দে চাৰে ধানখিনি মিলত খুন্দাই চাউল কৰি ল'ব।

সংগ্ৰহ ঃ **তৃষ্ণা গগৈ,** *চতুৰ্থ যাণ্মাসিক*

অনুভৱ

# বিশ্বকাপ ফুটবল

**হিৰণ্য কুমাৰ গগৈ,**
*বিভাগৰ প্ৰাক্তন তথা*
*ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ*

বিশ্ব ক্ৰীড়াজগতৰ এক আৱেগ-আলোড়ণৰ নাম বিশ্বকাপ ফুটবল। প্ৰতি চাৰি বছৰৰ অন্তত অনুষ্ঠিত হোৱা 'FIFA (Federation International Football Association) World Cup' ৰূপে জনাজাত বিশ্বকাপ ফুটবল খেলখন বিশ্বৰ ক্ৰীড়াপ্ৰেমী অগণন লোকৰ বাবে অধীৰ অপেক্ষাৰ কাৰণ হৈ দেখা দিয়ে। ২০২২ বৰ্ষত কাটাৰত অনুষ্ঠিত হোৱা শেহতীয়া বিশ্বকাপ ফুটবলত ফ্ৰান্সক পৰাস্ত কৰি আৰ্জেণ্টিনাই ২০২২ বৰ্ষৰ বিশ্বকাপ ফুটবলৰ খিতাপ অৰ্জন কৰে। এয়া সৰ্বজনবিদিত। সমগ্ৰ বিশ্ববাসীৰ অপলক দৃষ্টিক কেন্দ্ৰীভূত কৰা এই বিশ্বকাপ ফুটবলৰ প্ৰতি মোৰ কোনো উৎকণ্ঠা বা আগ্ৰহ নাছিল। ক্ৰীড়াৰ প্ৰতি মোৰ বিৰাগ ইয়াৰ কাৰণ। কিন্তু ২০২২ বৰ্ষৰ বিশ্বকাপ ফুটবলৰ চূড়ান্ত খেলখনে পৃথিৱীজুৰি যি আলোড়ন তুলিছিল, তাৰ প্ৰভাৱে মোকনো কেনেকৈ ভাৱাৰ্ত কৰি তুলিছিল সেই কথাৰ আলম লৈয়ে মস্তিষ্ক আৰু কলমৰ এইয়া চমু ঘৰ্ষণ।

দুলীয়াজান মহাবিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতক সন্মান লাভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহিলোঁ। বৰ্তমান মই ঐতিহ্যমণ্ডিত পদ্মনাথ গোহাঞিবৰুৱাৰ ছাত্ৰ নিবাসৰ এজন আৱাসী। প্ৰতিটোৰে চাৰিটা মহলাযুক্ত তিনিটা বিল্ডিঙৰ এটা ছাত্ৰাবাস। দেখাত ইংৰাজীৰ বৰফলা আখৰ 'Y' ৰ দৰে গঠন সৃষ্টি কৰা পৰস্পৰ সংযুক্ত বিল্ডিং তিনিটা হ'ল ক্ৰমে 'ক' খণ্ড, 'খ' খণ্ড আৰু 'গ' খণ্ড। প্ৰতিটো বিল্ডিঙৰ অন্তৰ্গত চাৰিটা মহলাৰ প্ৰতিটোৰে একোটাহঁত নাম আছে। যদিও সাধাৰণভাৱে তাক তলৰ পৰা ওপৰলৈ ক্ৰমে ভূমি মজিয়া, প্ৰথম মজিয়া, দ্বিতীয় মজিয়া আৰু চূড়ান্ত মজিয়া বুলি জনা যায়। মই 'গ' খণ্ডৰ প্ৰথম মজিয়া (C-First) ত থাকোঁ। পৰৱৰ্তী বৰ্ণনা সহজবোধ্য হ'বৰ বাবেই এইকণ পাতনি তৰা হৈছে।

দিনটো আছিল ১৮ ডিচেম্বৰ। নিজৰ সমস্ত মনোযোগ ঢালি দিছোঁ পঢ়াৰ ওপৰত। পিছদিনা অৰ্থাৎ ১৯ ডিচেম্বৰ তাৰিখে স্বনিৰ্বাচিত ১০০২ অসমীয়া সাহিত্যৰ পৰিধীয় (বিধা) কাকতখনৰ জৰিয়তে স্নাতকোত্তৰ মহলাৰ প্ৰথম ষান্মাসিকৰ চূড়ান্ত পৰীক্ষাৰ সামৰণি পৰিব। যিকোনো কামত সফল হোৱাৰ পক্ষে সূচনা আৰু সমাপ্তি ভাল কৰাটো প্ৰয়োজনীয়— কোনোবা এজন চিন্তাবিদৰ এইষাৰ কথাকে ধিয়াই পৰীক্ষা ভাল কৰাৰ আশাত আগনিশা একাগ্ৰ মনেৰে পঢ়িবলৈ ললোঁ। গোটেই দিনটো বিশ্ববিদ্যালয়ৰ চৌহদৰ বাহিৰে ভিতৰে পিয়াপি দি সন্ধিয়া পৰত আৱসীবোৰ হোষ্টেললৈ ওভতি অহাৰ পিছত ঘুনুক-ঘানাককৈ শুনিবলৈ পালোঁ—

"আজি ৱৰ্ল্ডকাপৰ ফাইনেল আছে।"
"চাব লাগিব।"
"মেছিৰ লাষ্ট ৱৰ্ল্ডকাপ।"
"ফ্ৰান্স আৰু আৰ্জেণ্টিনাৰ মাজত হ'ব।" ইত্যাদি কথা।

নাদৰ ভেকুলীয়ে সাগৰৰ বিশালতাৰ উমান নোপোৱাৰ দৰে কিতাপৰ পোক হৈ আখৰ কুটি থকা এই মহাশয়ে বিশ্বকাপ ফুটবল যে এখন আন্তঃৰাষ্ট্ৰীয় খেল, তাৰ বাহিৰে একো নাজানে। পৰিণতিত কথাবোৰ এখন কাণেৰে সোমাই আনখন কাণেৰে ওলাই গ'ল। মাজত থকা মগজুৰ লোপথুপীয়া ঘিউখিনিত তিলমানো প্ৰতিক্ৰিয়া নহ'ল। হ'বইবা কিয়! ছমাহৰ পঢ়া এৰাতিতে শেষ কৰি কাইলৈ পৰীক্ষা দিবগৈ লাগে। কম টেলেন্ত নে!

নিশা প্ৰায় ৮.৩০ মানত ভাত খাবলৈ ডাইনিং হ'ললৈ গলোঁ। সৰ্বত্ৰে চেঁচা। কাৰণ এটাই- সকলোৰে পৰীক্ষা চলি আছে। ভাতমুঠি গ্ৰহণ কৰি নিজৰ কোঠালিলৈ ওভতি আহি পুনৰ পঢ়াত ধৰিলোঁ। নিশা গভীৰ হৈ আহিছে। কঁকালটো পোনাওঁ বুলি এবাৰ চকীৰ পৰা উঠি খিৰিকিৰে বাহিৰলৈ চাই পঠিয়ালোঁ। এ - ব্লকৰ ডাইনিং হ'লত মানুহ গোট খাইছে (মোৰ কোঠালিৰ খিৰিকিৰে সমুদায় এ - ব্লক দেখি থাকি।)। ফ্ৰী ৱাইফাই পোৱাৰ লোভত ল'ৰা বিলাক প্ৰায় এ - ব্লকৰ ডাইনিং হ'ললৈ যায়। তাকে ভাবি আকৌ পঢ়িবলৈ ললোঁ। সময় কিজানি ১০ বাজিছিল। এ - ব্লকৰ ডাইনিং হ'লত ল'ৰাজাকে সমস্বৰে চিঞৰি উঠিল। একেলগে চিঞৰা উত্তেজনাসূচক বিসদৃশ শব্দৰ এক হুলস্থুল। বেঞ্চত ঢকিওৱাৰ শব্দ, কিৰিলিৰ শব্দই ৰাতিৰ নিৰ্জনতা ভাঙি মোক ভাবিবলৈ বাধ্য কৰিলে— "বিশ্বকাপৰ ফাইনেল চলি আছে।" চলি আছে চলি থাকক। মই আকৌ পঢ়িবলৈ ললোঁ। ক্ষন্তেক পিছতে এ - ব্লকৰ ডাইনিং হ'লৰ পৰা পূৰ্বসুৰী হুলস্থুল পুনৰ শুনিবলৈ পালোঁ। এক অনুপল গ'ল কি নগ'ল, 'গ' খণ্ডৰ দ্বিতীয় মজিয়া (চি - ছেকেণ্ড) টো নাতিদীৰ্ঘ অবিকল হুলস্থুল শুনিবলৈ পালোঁ। হিটলাৰৰ বক্তৃতাই বহি থকা শ্ৰোতাক আসনৰ পৰা উঠি হতচাপৰি বজাবলৈ উত্তেজিত কৰি দিয়াৰ দৰে মোৰ শ্ৰৱনেন্দ্ৰিয়েদি সোমাই অহা হুলস্থুলৰ সংজ্ঞাবিহীন শব্দৰ আহ্বানে মোক বহাৰ পৰা উঠিবলৈ বাধ্য কৰিলে। নামহীন আৱেগত মোৰ মন অশান্ত হৈ উঠিল। আকৌ শুনিবলৈ পাম নেকি সেই ক্ৰীড়াপ্ৰেমী দলৰ উত্তেজনা সৃষ্টিকাৰী হুলস্থুল!


এ-ব্লকৰ ডাইনিং হ'লত হোৱা হুলস্থুলক অনুকৰণ কৰিয়ে যেন চি - ছেকেণ্ডত হুলস্থুল বাজি উঠে। চকু আৰু কাণ এই দুটা ইন্দ্ৰিয়ৰ ভিতৰত যিকোনো এটাক বাছি লোৱাৰ প্ৰসংগত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কাণদুখনক বাছি লৈছিল। কাৰণ তেওঁ নিজৰ সকলোবোৰ সৃষ্টিৰ ভিতৰত সংগীতক অধিক প্ৰাধান্য দিছিল আৰু সংগীত শুনিবলৈ হ'লে শ্ৰৱণশক্তি অপৰিহাৰ্য। কথাষাৰ মইও উপলব্ধি কৰিলোঁ। প্ৰত্যক্ষ (চাক্ষুষ) বা পৰোক্ষ (ম'বাইল, ইণ্টাৰনেট) ভাৱে নেদেখা বিশ্বকাপ ফুটবল খেলখন আজি শ্ৰৱনেন্দ্ৰিয়ৰ মাধ্যমেৰে উপভোগ কৰিলোঁ। হুলস্থুলৰ এই শৃংখলা প্ৰায় মাজৰাতিলৈকে চলি থাকিল।

প্ৰায় প্ৰতিদিনে মাজনিশা ১২ বাজি যোৱাৰ পিছত মই আৰু দেশান্ত শইকীয়া (পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ) ই চি - টপ বা 'গ' খণ্ডৰ চূড়ান্ত মজিয়াত থকা অনুপ শইকীয়া (অসমীয়া বিভাগৰ ছাত্ৰ) দাদাৰ কোঠালিলৈ চাহ খাবলৈ যাওঁ। আমাৰ প্ৰতি তেওঁৰ স্বভাৱসুলভ দৰদ। তেওঁৰ অনুকম্পাত দুই বিশ্বশ্ৰেষ্ঠ খকুৱাই প্ৰায় সদায় এই একেটা সময়তে বিনামূলীয়াকৈ চাহ আৰু চাহৰ সৈতে চুবোৱাৰ নানাবিধ মুখ ৰুচিকৰ উপকৰণৰ সোৱাদ ল'বলৈ পাওঁ। নিশা ১২ বজাৰ পিছত ১৯ ডিচেম্বৰৰ সূচনাৰ লগে লগে আমি দুয়োজন অনুপ শইকীয়া দাদাৰ কোঠালিলৈ গলোঁ। দাদাই চাহ যোগাৰ কৰিলে। কথাৰ মাজতে বিশ্বকাপ ফুটবল সম্পৰ্কীয় নতুন নতুন কথাৰ উদ্‌ঘাটনে মোক অবাক - আচৰিত কৰি তুলিলে। দেশান্ত শইকীয়া প্ৰধান উদ্‌ঘাটক ৰূপে সমূখলৈ আহিল। তাৰ কথাৰ সাৰাংশ আছিল এনেধৰণৰ- লিঅ'নেল মেছিয়ে শেষবাৰলৈ বিশ্বকাপ ফুটবলত অংশগ্ৰহণ কৰিলে। ফ্ৰাঞ্চক পৰাস্ত কৰি আৰ্জেণ্টিনাই বিজয় সাব্যস্ত কৰিলে। আৰ্জেণ্টিনাৰ বিজয়ৰ লগে লগে চি - গ্ৰাউণ্ড ('গ') খণ্ডৰ ভূমি মজিয়াত পাৰ্টি চলিল। জুছ (ফলৰ ৰস), চিংৰা উলিয়াই লৈছে। দেশান্ত শইকীয়াৰ লগৰ এটাই মেছিৰ বিজয়ৰ উল্লাসত পেণ্ট খুলি নাচি দিলে।

উঃ ৰাম! আচৰ্য - বিস্ময়। মানুহৰ এইবোৰ কাণ্ড - কাৰখানা দেখি আচৰিত হোৱা নাই। বৰঞ্চ এখন বিশ্বকাপ ফুটবল খেলক লৈ মানুহ কিভাৱে আবেগিক হ'ব পাৰে, তাক চিন্তিহে অভিভূত হৈ পৰিলোঁ। আকৌ মনত পৰিল কোনোবা এজন মনিষীয়ে কোৱা এষাৰ কথা। অজ্ঞাত মনিষীজনে কৈছিল— "মই জীৱনত এটা কথাই শিকিলোঁ যে মই জীৱনত একোৱে নিশিকিলোঁ।" মোৰো ভাৱ হৈছিল— "বিশ্বকাপ ফুটবলৰ বিষয়ে একো নেজানিও বহুত কিবাকিবি জানিলোঁ।"

## দেউতা আমাৰ খেতিয়ক

**চয়নিকা কুৰ্মী,** *স্নাতক ষষ্ঠ ষাণ্মাসিক*



হয়,
দেউতা আমাৰ খেতিয়ক,
নিয়ৰৰ জাল ফালি দূৰ পোহৰে
জিলিকাই তুলিছে সোণগুটিবোৰ

কিমান যে শুৱনি
আমাৰ এই ধাননি পথাৰখনি

ঋতুৰ হাতত ৰূপ সলনি কৰি
এতিয়া পদ্মাৰ খনি
ধানেৰে ওপচি পৰিছে,

হয়, এইয়া নিশ্চয়
দেউতাৰ কপালৰ ঘামৰ ফল,
কত যে কষ্ট হয় দেউতাৰ;
তেজক পানী কৰে
মাটি আৰু শস্যৰ বীজৰ
মধুৰ মিলনৰ বাবে।

দেউতা পথাৰৰ এজন দুৰন্ত প্ৰেমিক,
দেউতা খেতিয়ক বাবেই
আমি গৰ্ব কৰো,
আমি মূৰ দাঙি ক'ব পাৰো—
দেউতা আমাৰ খেতিয়ক
দেউতা আমাৰ খেতিয়ক।

## জলছবি

**আশামণি দত্ত,** *স্নাতক দ্বিতীয় ষাণ্মাসিক*

সৰল নহয় বুলি কলেও তুমি যে ...
বুকুৰ মাজতে লৈ ফুৰা শিশুৰ দৰে
এটা আলফুলীয়া সৰল মন;

ঠুনঠুনাই উঠা শব্দৰে
হৃদয়ৰ কেনভাচত
এখন জলছবি আকোঁ ...

নৈখনত পুনি মেটেকাবোৰে
ঠেহ পাতে, আব্দাৰ বিচাৰে
অভিমান কৰে ...

গেজেপনিত
বেতগছৰ জোপোহাৰ কাষে কাষে
পিতপিতাই ফুৰে এহাল ডাউকে।

## আশা

**সবিতা দে,** *স্নাতক ষষ্ঠ ষাণ্মাসিক*

চৌদিশে কুঁৱলিৰ পয়োভৰ
উত্তাল নৈৰ গতিত পৰিল যতি
চাকনৈয়ত হেৰাই গ'ল
স্মৃতিৰ দস্তাবেজ।


বন্ধু, তুমি আহিবা বুলি
ৰৈ আছোঁ নঙলামুখত
বহুদিন দেখা নাই
তাহানিতে অকাঁ ছবিবোৰত
কালৰ প্ৰলেপ পৰিল।

মায়াৰ সাগৰত দিশহাৰা নাৱিক
উত্তাল তৰংগৰে উটি যায় তৰি
অহা বাটে গুছি গ'ল কত অভিনেতা
ৰঙ্গমঞ্চ হয় জানো উকা?

বন্ধু তুমি মোক চিনি পাবানে?

সেয়েতো ৰৈ আছোঁ নঙলামুখত
পৰিচয়ৰ আদান প্ৰদান হ'ব পুনঃ
ক'ত হাহাকাৰ, ক'ত আৱিষ্কাৰ নপলাব হেঁপাহ
ছিঙিব পাৰোনে মায়াৰ এৰাল?

সকলো ছিঙি নিয়ে কালে
বাট চাই আছোঁ সখি
সেই দিনটোলৈ
শুকুলা পালেৰে তুমি আহিবা উজাই
মই বহি থাকিম নঙলামুখত
অস্তগামী বেলিটোৰ মুখলৈ চাই।



## হেঁপাহৰ আঘোণ

**আশিক মুণ্ডা,** *স্নাতক ষষ্ঠ ষাণ্মাসিক*

প্ৰভাতী পুৱাৰ প্ৰতিধ্বনিত
দিগ্‌বিদিক হেৰাই
ৰজনীৰ প্ৰতাৰিত সময়ে

ৰৌদ্ৰজ্বল জোনাকৰ সুগন্ধিত
আঘোণৰ মায়াজাল

পথাৰৰ সুৱাসিত গন্ধই
জীৱন জুৰাই,

কান্ধে কান্ধে বৈ আহে
সোণগুটিৰ পৰশ

চহা খেতিয়কৰ ঘাম পৰা পথাৰ
এমুঠি সুখৰ হাঁহি।

## স্তব্ধ অভিমানী হিয়া

**দিপশিখা ৰাজকোঁৱৰ**, *স্নাতক দ্বিতীয় ষাণ্মাসিক*

চাৰিওফালে বিয়পি থকা কথাবোৰ
বিষাদবোধত জৰ্জৰিত সময়বোৰ
জীৱনৰ পৃষ্ঠাবোৰ স্পৰ্শ কৰি শোকত
কপি উঠা দুহাতৰ আঙুলিবোৰ আজি
ক'ব নোৱাৰাকৈ নিথৰ হৈ পৰিছে।
জীৱনৰ কথাবোৰ লিখিবলৈ খুজিও
হাতৰ কলম থমকি ৰৈ যায় ...
স্তব্ধ আজি অভিমানী হিয়া
দুচকুৰে ডায়েৰিৰ পৃষ্ঠাবোৰ তিয়াই।
সহজ বুলি ভাবি আগুৱাই যাবলৈ
বহুত চেষ্টা কৰিও নোৱাৰোঁ
মানুহৰ অতীতৰ স্মৃতিবোৰেই তেনেকুৱা
পাহৰিব বিচাৰিলেও সময় আৰু পৰিস্থিতিয়ে
কেতিয়াও পাহৰিব নিদিয়ে
দুচকুৰ মিছা উজ্জ্বলতা নিজেই আতৰে
ওঁঠৰ মিছা আভৰণৰ হাঁহিও লুকাই
আৰু এদিন তেনেকৈয়ে জীৱনৰ
আধালিখা ডায়েৰিখন সম্পূৰ্ণ হয়
অতীতৰ স্মৃতিৰ কাহিনীৰ কথাৰে..... !



## এটা প্ৰেমৰ কবিতা


**নিৰজ কমল দাস**,*স্নাতক দ্বিতীয় ষাণ্মাসিক*

নৈখন পাৰ হৈ
কঁহুৱানিৰ মাজেৰে আহি
তোমাৰ পদূলিমুখ পাওঁতেই
হ'ল মাজৰাতি

এতিয়া জোনাকৰ গোন্ধ
তোমাৰ পদূলিত উচপিচাই,
ৰাতিৰ গোন্ধ মোৰ দেহত
পিৰপিৰাই

খিৰিকীৰ কাষৰ শেৱালিজোপাৰ মাজেৰে
তোমালৈ চাওঁ

তুমি যেতিয়া মোলৈ চাই হাঁহা
তেতিয়া খিৰিকীৰ কাষৰ শেৱালিজোপাত
জোনাক আমোলমোলাই।



## লিমাৰিক

**যোচেপ চাংগা**,*স্নাতক ষষ্ঠ ষাণ্মাসিক*

(১)
মামাই হেনো ল'ৰাবোৰক দিব বুলেট-বাইক
ফেচবুকত যাৰ বেছি কমেন্ট আৰু লাইক,
পঢ়া শুনাৰ দৰকাৰ নাই
মামাৰ নিচিনা চৰকাৰ নাই
মামাই দিয়া বাইকতে পলোৱাই আনিম তাইক।

(২)
আকাশৰ পৰা নামিল এযোৰ শগুণ
সপ্তাহ জুৰি আছিল দুটাই লঘোণ
খাবলৈ পালে এটা পচা গৰু
কিন্তু গৰুটো জোখতকৈ সৰু
খাই লাভ নহ'ল, ভোক বাঢ়িলেহে দুগুণ।

(৩)
অসমৰ ৰাজনৈতিক দ'ল
চি. এম. হিমন্ত মামাৰ বল
চোতালৰ আগত
প্ৰত্যেকৰ ভাগত
প্ৰতিদিনে লাভ কৰিব ৫৫ লিটাৰ জল।

(৪)
ফেচবুক, ৱাটছাপ আৰু ইন্সটাগ্ৰামত
সকলোৱে ব্যস্ত থাকে এই তিনিটাত
ল'ৰাই হওক বা ছোৱালী
পূজাই হওক বা দিপাৱালী
কেনে ফটো পষ্ট দিম, সকলোৱে পৰে তাৰে চিন্তাত।

অণুগল্প

# সংগ্ৰাম

**মিচু বৰুৱা**

আকাশখন ক'লীয়া ডাৱৰে আবৰি ধৰিছে। ভৰ দুপৰীয়া নে ৰাতি হ'ব ধৰিছে ধৰিবই নোৱাৰি তাইৰ জীৱনটো। তাই সময়ৰ সোঁতত ক'ত কি হেৰাই থৈ আহিলে। আকাশত প্ৰচণ্ড ঢেৰেকণি, ঢেৰেকণিৰ শব্দবোৰ তাইৰ বুকুৰ মাজেৰে পাৰ হৈ গৈছে। কাঠ বাটাম লগোৱা ঘৰ খিৰিকিৰে বৰষুণ পৰিছে। অনন্যাই খিৰিকীখন জপাবলৈ গ'ল। বৰষুণ, বৰষুণ প্ৰিয় অনন্যাৰ। এই জাক বৰষুণে হয়তো বিষৰ নৈ বোৱাই দিলে তাইৰ জীৱনত। বৰষুণৰ পানী গাত পৰিবলৈ ধৰোতে তাই বাস্তৱলৈ উভতি আহিল। হয় নিসংগ তাইৰ জীৱন। সপোনবোৰৰ ভঙা টুকুৰাবোৰ লৈ জীয়াই আছে তাই। তাই নিজৰ মাজত এতিয়া সপোন নেদেখে সপোনবোৰে তাইক সুখৰ বিপৰীতে দুখহে দিছে। দুখ দিয়া বস্তুৰ পৰা অনন্যা সদায় আঁতৰত। এতিয়া তাইৰ কণমানি ছোৱালীজনীৰ চকুত সপোন দেখে। ছোৱালীজনীয়েই একমাত্ৰ সংগী তাইৰ জীৱনত পোহৰ বিলাবলৈ। ক্ৰমশঃ দিনটোক দুখৰ বেলাত এৰি সন্ধিয়া হৈ আহিছিল। দিনৰ পোহৰবোৰ কমি আহিছিল। অন্ধকাৰ বাঢ়ি আহিছিল। তাইৰ জীৱনটো তেনেকুৱা পোহৰৰ নামেই নাই অন্ধকাৰত বুৰ যোৱা এগছি চাকি।

ৰুদ্ৰ, ৰুদ্ৰ আহিব তাইৰ জীৱনত পোহৰ বিলাবলৈ। তাই অপেক্ষা কৰে কেতিয়া আহিব? এই প্ৰশ্নটোৱে তাইৰ বুকুখন খান্দি খান্দি শেষ কৰি পেলাইছে। দুৱাৰত কাৰোবাৰ শব্দ হ'ল, কোন আহিছে? ৰুদ্ৰ নেকি? হ'ব পাৰে। তাই দৌৰি গৈ খুলি দিলে নাই তাইৰ ভ্ৰম হৈছিল? কণমানিটোৰ কান্দোনত তাই ভ্ৰমৰ জগতৰ পৰা বাস্তৱলৈ ঘুৰি আহিল। ৰুদ্ৰই দেখোন কেতিয়াবাই তাইক এৰি থৈ গৈছিল সেই বগা সাজযোৰ পিন্ধি তাই চিঞৰি চিঞৰি ৰুদ্ৰক মাতিছিল। কিন্তু ৰুদ্ৰই ঘুৰি আহিম বুলি প্ৰতিশ্ৰুতি নিদিলে। ৰুদ্ৰ অচিনাকি দেশলৈ গুচি গ'ল। কথাবোৰ ভাবি তাইৰ পাৰ ভঙা চকুলোৰ নৈখন আকৌ বৈ আহিল। নিঃশব্দ এই চকুপানী। কিন্তু তাই এতিয়া শিকিছে জীয়াই থাকিবলৈ, সংগ্ৰাম কৰিবলৈ। সচাঁকৈ সংগ্ৰাম অবিহনে জীৱনৰ অৰ্থ বা ক'ত? সংগ্ৰামে শিকাই জীয়াই থকাৰ যন্ত্ৰণা কি... !

## অসমীয়া বিভাগৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা





উৰুলি (২০২১-২২ বৰ্ষ), বিষয় ঃ অসমৰ কৃষি





উৰুলি (২০২২-২৩ বৰ্ষ), বিষয় ঃ নামঘৰ

## অসমীয়া বিভাগৰ বাৰ্ষিক হাতেলিখা আলোচনী




অংকুৰ (২০১৯ বৰ্ষ)




অংকুৰ (২০২০ বৰ্ষ)




অংকুৰ (২০২১-২২ বৰ্ষ)




অংকুৰ (২০২২-২৩ বৰ্ষ)

## ৮ ফেব্ৰুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰী,২০২৩ লৈকে অনুষ্ঠিত হোৱা দুলীয়াজান মহাবিদ্যালয়ৰ ৪৭ সংখ্যক প্ৰতিভা বিকাশ সপ্তাহৰ

# বিভিন্ন প্ৰতিযোগিতাত অসমীয়া বিভাগৰ ফলাফলসমূহ

**সাহিত্য ঃ**

কবিতা আবৃত্তি (দ্বিতীয়) ঃ পলী চেতিয়া, *স্নাতক দ্বিতীয় যাণ্মাসিক*
কবিতা আবৃত্তি (তৃতীয়) ঃ দিপশিখা ৰাজকোঁৱৰ, *স্নাতক দ্বিতীয় যাণ্মাসিক*
প্ৰবন্ধ (দ্বিতীয়) ঃ দিপশিখা ৰাজকোঁৱৰ, *স্নাতক দ্বিতীয় যাণ্মাসিক*
প্ৰবন্ধ (তৃতীয়) ঃ চয়নিকা কুৰ্মী, *স্নাতক ষষ্ঠ যাণ্মাসিক*
গল্প (দ্বিতীয়) ঃ দিপশিখা ৰাজকোঁৱৰ, *স্নাতক দ্বিতীয় যাণ্মাসিক*
ঠাইতে লিখা কবিতা (দ্বিতীয়) ঃ দানিয়েল ওৰাং, *স্নাতক ষষ্ঠ যাণ্মাসিক*
চিঠি লিখা (তৃতীয়) ঃ ৰিতামণি শইকীয়া, *স্নাতক ষষ্ঠ যাণ্মাসিক*
হাতৰ আখৰ (তৃতীয়) ঃ অনুৰাগ গগৈ, *স্নাতক ষষ্ঠ যাণ্মাসিক*

**সংগীত ঃ**

বৰগীত (দ্বিতীয়) ঃ পলী চেতিয়া, *স্নাতক দ্বিতীয় যাণ্মাসিক*

**ক্ৰীড়া ঃ**

১০০ মি. দৌৰ (দ্বিতীয়) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
৪০০ মি. দৌৰ (প্ৰথম) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
বেডমিণ্টন (দ্বিতীয়) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
পাঞ্জা (প্ৰথম) ঃ তৃষ্ণা মৰাণ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
পাঞ্জা (তৃতীয়) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
শক্তি উত্তোলন (প্ৰথম) ঃ বাস্তৱ বৰা, *স্নাতক চতুৰ্থ যাণ্মাসিক*
শক্তি উত্তোলন (দ্বিতীয়) ঃ লক্ষ্যজ্যোতি গগৈ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
শক্তি উত্তোলন (প্ৰথম) ঃ কৰবী গগৈ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
শক্তি উত্তোলন (তৃতীয়) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
দীঘল জাপ (প্ৰথম) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
ডিচকাচ (তৃতীয়) ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*
জেভলিন (তৃতীয়) ঃ সুনিয়া মল্লিক, *স্নাতক দ্বিতীয় যাণ্মাসিক*

**অন্যান্য ঃ**

ফটোগ্ৰাফী (দ্বিতীয়) ঃ জিণ্টু গোৱালা, *স্নাতক ষষ্ঠ যাণ্মাসিক*
মেহেন্দী (তৃতীয়) ঃ জেউতি ৰাভা, *স্নাতক চতুৰ্থ যাণ্মাসিক*
সাজ-পাৰ (দ্বিতীয়) ঃ অনুৰাগ গগৈ, *স্নাতক ষষ্ঠ যাণ্মাসিক*

**দলীয় ঃ**

কেৰম (দ্বিতীয়) ঃ পূজা কোঁৱৰ, নিকিতা ফুকন
কেৰম (তৃতীয়) ঃ গায়ত্ৰী গোহাঁই, অঞ্জলি মেছ
কোৰাজ (দ্বিতীয়) ঃ দিপশিখা ৰাজকোঁৱৰ, অংকুৰ মান চুতীয়া, কৰবী ডেকা, যোগানন সোনোৱাল, নিহাৰিকা গগৈ, বিশ্বজিৎ দত্ত, সাগৰিকা চাৰিঙ্গীয়া ফুকন, লীনা গগৈ, চেতনা গগৈ, ৰিচাৰ্চ বৰুৱা
কাবাডী, ছোৱালী (প্ৰথম) ঃ পূজা কোঁৱৰ, সুনিয়া মল্লিক, তৃষ্ণা মৰাণ, নিকিতা ফুকন, অঞ্জলি সোনাৰ, পূজা জুচি, ভাৰতী চুতীয়া, সুনিয়া স্বামী, লক্ষ্মী ৰাজপুত
কাবাডী, ল'ৰা (দ্বিতীয়) ঃ নিৰঞ্জন গগৈ, মনোজ শইকীয়া, আব্দুল জব্বৰ, দিলীপ চাংমাই, পাৰ্থ ফুকন, দেভান্ত ৰাম, থঙ্গগ হানো, সুৰুজ দাস, সিধান্ত দেই
নৃত্য (দ্বিতীয়) ঃ পলী চেতিয়া, ধৰিত্ৰী গগৈ, পল্লৱী খনিকৰ, জেউতি ৰাভা, পৰিস্মিতা গগৈ, সুৰভি গগৈ, ছিমি গগৈ
বেডমিণ্টন, ছোৱালী (প্ৰথম) ঃ পূজা কোঁৱৰ, নিকিতা ফুকন
ৰছী টনা, ছোৱালী (দ্বিতীয়) ঃ তৃষ্ণা মৰাণ, পূজা কোঁৱৰ, সুনিয়া মল্লিক, কৰবী গগৈ, পূৰবী ফুকন, অঞ্জলি সোনাৰ, পূজা জুচি, ভাৰতী চুতীয়া, সুনিয়া স্বামী, লক্ষ্মী ৰাজপুত
ৰছী টনা, ল'ৰা (দ্বিতীয়) ঃ নিৰঞ্জন গগৈ, আমলান হাজৰিকা, অনুৰাগ ফুকন, মৃন্ময় বৰগোহাঁই, আব্দুল জাব্বৰ, ৰূপজ্যোতি শইকীয়া, পাৰ্থ ফুকন, অংকুৰ শইকীয়া, শচীন, থঙ্গগ হানো, দিলীপ চাংমাই
৪০০মি. ৰিলে, ছোৱালী (প্ৰথম) ঃ পূজা কোঁৱৰ, শেৱালী ভৰালী, সুনিয়া মল্লিক, অঞ্জলি সোনাৰ
৪০০ মি. ৰিলে, ছোৱালী(তৃতীয়) ঃ ভিতালীমা ডেকা, ৰিতামণি শইকীয়া, পূৰবী ফুকন, স্নিগ্ধা সোনোৱাল

**শ্ৰেষ্ঠ মহিলা খেলুৱৈ ঃ** ঃ পূজা কোঁৱৰ, *স্নাতক চতুৰ্থ যাণ্মাসিক*

**ষ্ট্ৰং মেন** ঃ বাস্তৱ বৰা, *স্নাতক চতুৰ্থ যাণ্মাসিক*

**হাতেলিখা আলোচনী 'অংকুৰ' (শ্ৰেষ্ঠ)** - মানস গগৈ (*স্নাতক চতুৰ্থ যাণ্মাসিক), দানিয়েল উৰাং (স্নাতক ষষ্ঠ যাণ্মাসিক)* সম্পাদক

**প্ৰাচীৰ পত্ৰিকা 'উৰুলি' (দ্বিতীয় শ্ৰেষ্ঠ)** -চয়নিকা কুৰ্মী, সম্পাদক, *স্নাতক ষষ্ঠ যাণ্মাসিক*

**সাংস্কৃতিক শোভাযাত্ৰা (দ্বিতীয় শ্ৰেষ্ঠ)**

# অসমীয়া বিভাগৰ বিভিন্ন কাৰ্যসূচীৰ আলোকচিত্ৰ



শিক্ষক দিৱস আৰু নৱাগত আদৰণি সভাৰ এটি ক্ষণ




ভাষাবিজ্ঞানী ড° ভাস্কৰজ্যোতি শৰ্মদেৰৰ বক্তৃতানুষ্ঠানৰ এটি মুহূৰ্ত




বিভাগৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ ডিৰিয়াল চাহ বাগিচা আৰু চিৰিংখাত গাঁৱত চাহ জনগোষ্ঠীয় সংস্কৃতি বিষয়ে ক্ষেত্ৰভিত্তিক অধ্যয়ন



ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ ঐতিহাসিক স্থানসমূহলৈ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষামূলক ভ্ৰমণ




মহাবিদ্যালয়ৰ ৪৭ সংখ্যক প্ৰতিভা বিকাশ সপ্তাহত অংশগ্ৰহণ কৰা বিভাগীয় শোভাযাত্ৰাৰ দলটি




বিশিষ্ট শিক্ষাবিদ, আবৃত্তিকাৰ, সাহিত্যিক ড° অমৰজ্যোতি চৌধুৰীৰ সৈতে অন্তৰঙ্গ আলাপ



২০২২-২৩ বৰ্ষৰ দুলীয়াজান মহাবিদ্যালয়ৰ ৪৭ সংখ্যক প্ৰতিভা বিকাশ সপ্তাহৰ শ্ৰেষ্ঠ বিভাগ — 'অসমীয়া বিভাগ'